চান্দমামা

ডিছেমবাৰ ১৯৯৫



EXOTIC TASTES ONLY FROM
nutrine
Regal Assortment!
Nutrine brings the exotic flavours of Badam, Pista, Kaju and Kesar especially for you with its Regal Assortment! Relish the flavours of Badam Wala, Pista Wala, Kaju Wala and Kesar Wala and share it with one and all.
nutrine BADAM WALA
nutrine PISTA WALA
nutrine KAJU WALA
nutrine KESAR WALA
nutrine
India's largest selling sweets and toffees.
HARMONY/236-95

Kuchi kuchi Rakma Sunlo na..
Mithi Mithi Morton De Do na!

Morton Sweets, the number one favourite amongst young and old. With the goodness of Creamy Milk, Glucose and Sugar. Chocolate and Coconut Cookies, Rose Eclairs, Supreme Chocolate, Coffee Plus and Coconut Toffees, Lacto Bonbons, Mango King and so many other delicious treats.

Um m m m.
Every bite a yummy delight.

MORTON SWEETS

A lifetime of real goodness.

MORTON CONFECTIONERY & MILK PRODUCTS FACTORY
P.O. Marhowrah 841 418, Dist. Saran, Bihar

CC/M-1/95

Caution Notice : MORTON and its wrappers are registered trade mark of Upper Ganges Sugar & Industries Ltd. Any infringement of trade mark rights is liable to prosecution.

গৌতম গোস্বামী
৭/১২/১৯৯৩

চান্দমামা

*

ডিচেম্বাৰ ১৯৯৩

এই * আছে

সংখ্যাত

*

পৃথিৱীৰ খিৰিকীৰে	:	৯	মূল চৰিত্ৰ	:	৩৭
আওপকীয়া সহায়	:	১০	অনুশুৰৰ দাম	:	৪২
ভাতৃপ্ৰেমৰ কাৰণ	:	১৬	মহাভাৰত	:	৪৫
কৃপধৰৰ যাত্ৰা	:	১৭	চান্দ-সম্বাদ	:	৫২
একমাত্ৰ সৎ	:	২৪	চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
প্ৰকৃত জ্ঞানী	:	২৫	কণ্টকৰ কিচমত	:	৫৬
কাম-আকাম	:	৩১	আদৰ্শ দম্পতি	:	৬২
ভাৰতৰ দুৰ্গ	:	৩৩	ফটো-প্ৰতিযোগিতা	:	৬৬

*

চান্দমামা : খনে : ৫·০০ টকা মাথোন
বছৰেকীয়া বৰঙনি : ৬০·০০ টক মাথোন

PULSE POLIO IMMUNIZATION
DECEMBER 9, 1995
JANUARY 20, 1996

মাতৃসকল !

এতিয়া মন কৰিলেই

পোলিঅ’ নোহোৱা কৰিব পাৰে

৯ ডিচেম্বৰ আৰু ২০ জানুৱাৰি

এই দুটা দিন— পোলিঅ’-নিৰোধক দিন
হিচাপে ঘোষিত।

আপোনাৰ শিশু-সন্তানক ইতিমধ্যে নিশ্চয় ছিটা দিয়ালে।
কিন্তু সুনিশ্চিত সুৰক্ষাৰ বাবে দ্বিতীয়বাৰলৈ
ওচৰৰ পোলিঅ’ কেম্পলৈ গৈ

৯ ডিচেম্বৰ আৰু ২০ জানুৱাৰিৰ দিনা
তিনি বছৰীয়ালৈকে শিশুহঁতক পুনৰ ছিটা দিয়াওক।

সুস্থ শিশু— দেশৰ ভৱিষ্যৎ।

২০০০ চনৰ ভিতৰত
পোলিঅ’ মুক্ত ভাৰত
নিৰ্মাণত
আপুনিও যোগদান কৰক।

PolioPlus
পোলিঅ’প্লাছ

৯ ডিচেম্বৰ ১৯৯৫
২০ জানুৱাৰি ১৯৯৬



মনত ৰাখিব
এই দুই দিন
আপোনাৰ মৰমৰ সন্তানৰ
সুৰক্ষাৰ দিন

"मेरि"

दुनिया भर की नारियों को, ३१ से अधिक सालों से मनमोहक, खूबसूरत और मजबूत स्वर्णपाट्टित ज़ेवरों से सँवार रहे हैं ।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं ।

ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं । हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये । मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये । कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये ।

MERI GOLD COVERING WORKS

P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

# চান্দমামা

সংস্থাপক : চক্রপাণি　　সঞ্চালক : বি নাগিৰেড্ডি

গোঁজেই গজালি

দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰেপৰাই পৃথিৱীত অপৰাধ-অনুষ্ঠানৰ সংখ্যা বিশেষভাবে বাঢ়ি গৈছে, আৰু এই অপৰাধপ্ৰবণতা ক্ৰমাত ঊৰ্দ্ধগামী। তাতোকৈ চিন্তাৰ কথা, এই অপৰাধসমূহত শতকৰা পঞ্চাছভাগেই ১৫—২৫ বছৰীয়া চেমনীয়া-যুৱা জড়িত।

এই দুখলগা অৱস্থাৰ মাই কাৰণ ‘পৰিয়াল’-প্ৰথা বুলি চিহ্নিত কৰা হৈছে। অৰ্থাৎ—অভিভাৱকবিহীন অপৈণতসকলৰ ব্যক্তিগত সৰু সৰু ‘পৰিয়াল’, যথোচিত কৰ্ম-সংস্থানৰ অভাৱ আৰু ধনী-দুখীয়াৰ মাজত থকা বিৰাট বিভেদ ইত্যাদিক দায়ী কৰা হৈছে।

কৰ্ম-সংস্থান যদিও বাঢ়িছে, তথাপি, আনকি অতি কম যোগ্যতামূলক কাম আদিতো অধিকৰো অধিক যোগ্য-অৰ্হতা থকাই ভাগ লৈছে, আৰু এইদৰে সমাজৰ যুৱশক্তিৰ এক সুবৃহৎ অংশয়েই কৰ্ম-সংস্থানৰপৰা বঞ্চিত হৈছে, আৰু তাৰ অনিবাৰ্য্য ফলস্বৰূপে এই বঞ্চিত অংশৰ একাংশই জ্ঞাতে-অজ্ঞাতেও অপৰাধ-জগতলৈ খোজ লৈছে, লিপ্ত হৈ পৰিছে।

এই যুৱশক্তিক অপচিত হোৱাৰ পথৰপৰা ওভোতাই আনিব নোৱাৰিলে যে সমাজৰ সৰ্বনাশ হ'ব (আৰু হৈছে)—সেই কথাত দ্বিমত নাই ; কিন্তু এই যুৱশক্তিক কেনেকৈ যে যথোপযুক্তভাবে কৰ্ম-নিয়োজিত কৰিব পৰা যাব—তাৰো কোনো প্ৰকৃত আঁচনি কোনেও দিব পৰা নাই। আমি সকলোৱে মিলি চিন্তা-চেষ্টা কৰি ক্ৰমবৰ্ধমান অপৰাধৰ এই অৱস্থা গুচাব লাগে।

আমিও নহওঁ যেন চকুমুদা কুলি।

বছৰ : ২০　　ডিচেম্বৰ ১৯৯৫　　সংখ্যা : ৯

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ
১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত
ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পৃথিৱীৰ খিৰিকীৰে

থাই-দেশত থৈয়া-নথৈয়া

বিগত ১৪ জুলাইৰ দিনা থাইল্যাণ্ডৰ নতুন প্ৰধান মন্ত্ৰী নিৰ্বাচিত হ'ল। এওঁৰ নাম হ'ল শ্ৰীবনহৰণ শিল্পা-অৰ্চা। এওঁ হ'ল চাৰ্ট থাই পাৰ্টিৰ নেতা। ৩৩ মাহৰ শাসনৰ অন্তত ডেম'ক্ৰ্যাটিক পাৰ্টিৰ নেতা ছিভিলিয়্যান প্ৰধানমন্ত্ৰী শ্ৰীচুৱান লিকপাইৰপৰা শ্ৰীবনহৰণে প্ৰধানমন্ত্ৰীত্ব গ্ৰহণ কৰিলে।

'ছিভিলিয়্যান' কথাটোলৈ মন কৰক। কিয়নো—থাইল্যাণ্ডে (পূৰ্বৰ শ্যামদেশ) আগতে ঢেৰ মিলিট্যাৰি প্ৰধানমন্ত্ৰী পাইছিল। ১৯৩১ চনত নিয়মতান্ত্ৰিক ৰাজতন্ত্ৰৰ সলনি সাংবিধানিক ৰাজতন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল, ৰজা হ'ল দেশৰ প্ৰধান, প্ৰধানমন্ত্ৰী চৰকাৰৰ প্ৰধান।

১৯৩৯ চনত শ্যামদেশৰ নাম পৰিৱৰ্তিত হৈ থাইল্যাণ্ড হ'ল। ১৯৪৬ চনত ৰজা ভূমিবল আতুলাদেজে সিংহাসনত আৰোহণ কৰিলে, আৰু তেতিয়াৰপৰা তেওঁৰ ৰাজত্বৰ ৫০ বছৰ পূৰ্ণ হ'ল। দেশৰ ২১ তম প্ৰধানমন্ত্ৰী হিচাপে ৰজা ভূমিবলে শ্ৰীবনহৰণক নিয়োগ কৰিলে।

নিৰ্বাচনত শ্ৰীবনহৰণৰ চাৰ্ট থাই পাৰ্টিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা পোৱা নাছিল, যদিও সৰ্বাধিক আসন লভিছিল (৯২ খন আসন), যিস্থলত শাসক-দল ডেম'ক্ৰ্যাটিক পাৰ্টিয়ে পাইছিল ৮৬ খন।

পাঁচ বিৰোধী পাৰ্টিয়ে শ্ৰীবনহৰণৰ চাৰ্ট থাই পাৰ্টিলৈ সমৰ্থন আগবঢ়ালে। এই পাৰ্টিসমূহ হ'ল: নিউ এ্যাচপিৰেশ্যান পাৰ্টি (৫৭ খন আসন)। পালা ধৰ্মা ২৩, ছোশ্যাল এ্যাকশ্যান পাৰ্টি (২২), থাই ছিটিজেন্স (১৮), আৰু ম্যাস পাৰ্টি ৩খন আসন। তাৰ পাছত -- শ্ৰীবনহৰণৰ প্ৰধানমন্ত্ৰীত্ব যেতিয়া নিশ্চিন্ত হ'ল— তেতিয়া আগুৱাই আহিল নাম থাই পাৰ্টি (১৮খন আসন)। তেতিয়া কোৱালিশ্যান চৰকাৰৰ সম্মিলিত আসন হ'ল ২৩৩। থাই পাৰ্লামেণ্টৰ সৰ্বমুঠ আসন হ'ল ২৯২। প্ৰথমোক্ত পাঁচ দলৰপৰা এজনকৈ সহকাৰী (ডেপুটি) প্ৰধানমন্ত্ৰী লোৱা হৈছে, আৰু নাম থাই পাৰ্টিক—দেশৰক্ষা, পৰিবহন, কৃষি, বৈদেশিক সম্পৰ্ক আদি দিয়া হৈছে।

শ্ৰীবনহৰণ-চৰকাৰৰ প্ৰকৃত কাম হব —থাইদেশৰ সাৰ্বিক দাৰিদ্ৰ্য দূৰীকৰণ।

আওপকীয়া সহায়

বহু দিনৰ আগৰ কথা। উদয়পুৰ নামৰ সৰুকৈ চহৰখনত বিনন্দ নামৰ এজন ব্যৱসায়ী আছিল। তেওঁৰ দুই পুত্ৰ, বিনয় আৰু বিজয়। বিজয়-বিনয়ক সিহঁতৰ পিতৃ-মাতৃ বিনন্দ-ৰূপমতীয়ে যথা-যোগ্যভাবে তুলি-তালি ডাঙৰ-দীঘল কৰিলে, পঢ়া-লিখা বা অন্যান্য বিষয়ৰ বিশেষ বিশেষ শিক্ষাদান আদি কোনো কথাতে ত্ৰুটি নাৰাখিলে।

সৰুৰেপৰাই বিজয় আছিল স্বাৱলম্বী, নিজৰ কামখিনি প্ৰায়ভাগেই নিজেই কৰিছিল।

কিন্তু বিনয় আছিল বিপৰীত। বিনয়ে অতি সামান্য কামো নিজে নকৰিছিল, আনকি নিজৰ কামো নিজে নকৰি মাক-দেউতাকক কৈছিল, বা ঘৰুৱা কাম-বন কৰাহঁতক কৈছিল কৰি-ধৰি দিবলৈ।

মাক ৰূপমতী চিন্তিত হৈ উঠিছিল তেওঁৰ সৰু পুতেক বিনয়ৰ স্বভাৱ-চৰিত্ৰৰ কথা চিন্তি। অতিপাত চিন্তাত পৰিছিল পিতৃ বিনন্দয়ো। কিন্তু সৰুটোক শুধৰাবৰ উপায় একো উলিয়াব পৰা নাছিল।

যি কি নহওক, বিজয়ৰ প্ৰশংসাত সকলো পঞ্চমুখ। আনকি বিনন্দৰ সহ-ব্যৱসায়ীসকলেও বিজয়ৰ তীক্ষ্ণ বুদ্ধিৰ প্ৰশংসা কৰে, তাৰ গুণৰ কথা আক-তাকো কৈ ফুৰে তেওঁলোকে।

কিছু দিনৰ পাছত এদিন বিনন্দই বিজয়ক তেওঁৰ ওচৰলৈ মাতিলে, আৰু ক'লে, "এতিয়া তুমি ডাঙৰ হ'লা, গতিকে —বেহা-বেপাৰ চম্ভালিবৰ যোগ্যতা তুমি

মনিমা মহন্ত

পালা। বুজিছাই নিশ্চয়—আজি হওক কালিলৈ হওক, আমাৰ ব্যৱসায়ৰ গুৰিবঠা তুমিয়েই ধৰিব লাগিব। পিছে—তাৰ আগতে নিজেই বেহা-বেপাৰত ধৰিবা—এয়ে মোৰ ইচ্ছা। মই যেতিয়া ব্যৱসায়ত ধৰিছিলোঁ, তেতিয়া মোৰ পুঁজি আছিল তেনেই কম—আৰু সেই কাৰণে মই কেইজনমানক ভাগীদাৰ হিচাপে লৈছিলোঁ। পাছত—আমাৰ ব্যৱসায়ত যদিও লাভ যথেষ্টয়েই হৈছিল, তথাপি—ভাগীদাৰ-সকলক জোখে-জোখাৰে দিবলগা হৈছিল। তোমাৰ কথা কিন্তু বেলেগ হ'ব, তোমাক যিমান পুঁজি লাগিব—মই দিম। মই খবৰ পালোঁ যে বিশালনগৰত নাৰিকলৰ বৰ চাহিদা; গতিকে—তুমি শকত পৰিমাণৰ ধন লৈ নাৰিকলৰ বেপাৰ কৰি থাকিবানে কি—ভাবি চোৱা।"

দেউতাক বিনন্দৰ কথাত বিজয় আনন্দৰে সৈতে সন্মত হ'ল।

দেউতাকে পুনৰ ক'লে, "আৰু—আৰু এটা জৰুৰী কথা আছে। মোৰ ব্যৱসায়ৰ ভাগীদাৰ বৰুণদত্তৰ বহুদিনৰ ইচ্ছা যে—তেওঁৰ ছোৱালী দুজনীক—মালিনী আৰু মৃণালিনীক—আমি বোৱাৰী হিচাপে ল'ম। দুয়োজনীয়েই ৰূপে-গুণে বিদ্যা-বুদ্ধিত আৰু স্বভাৱ-চৰিত্ৰতো ভাল; যদিও

—মালিনীজনী মৃণালিনীতকৈ সকলো বিষয়তে কিছু আগ বঢ়া যেনহে পালোঁ। কথাটো ভাবি চাবা।"

বিজয়ক কোৱা কথাখিনি ৰূপমতীয়েও শুনিছিল সিটো কোঠাৰপৰা। বিয়াৰ কথা যি হ'ল—হ'ল, কিন্তু বিজয় বেহা-বেপাৰ কৰিবলৈ বিশালনগৰলৈ যাব—এই কথাতহে তেওঁ দুখ পোৱা হ'ল।

যি কি নহওক—বিনন্দৰ বন্দৰস্তমতে বিজয়-বিনয়ৰ বিয়া যথাক্ৰমে মালিনী আৰু মৃণালিনীৰ সৈতে সম্পন্ন হ'ল। আৰু কিছুদিনৰ পাছত বিজয়ে মালিনী'ক লগত লৈ এদিন সেই বিশালনগৰলৈ বুলি

গুচি গ'ল।

বিজয় আৰু মালিনীক অৱশ্যে স্বয়ং বিনন্দয়েই বিশালনগৰলৈ লৈ গৈছিল। তাত থকা-মেলাৰ ঠিকঠাক ব্যৱস্থা কৰাৰ অন্তত তেওঁ পুনৰ ঘৰমুৱা হোৱাৰ আগতে বিজয়ক কৈছিল, "বোপা, ব্যৱসায়ৰ কামত মোৰ আৰু মন নবহা হৈছে। এনেহেন সাগৰপৰীয়া ঠাইত তোমালোকৰ ঘৰত— তোমালোকৰ সৈতে কিছুদিন আৰাম কৰাৰ বৰ ইচ্ছা হৈছে। এতিয়া —এই বিষয়ে তোমাৰ মত কি?"

বিজয়ে নিৰুত্তৰ হাঁহিৰে ক'লে, "আপুনি যিদিনা মোক বেহা-বেপাৰৰ বাবে বিশালনগৰলৈ আহিবলৈ পৰামৰ্শ দিছিল, সেইদিনাই মই জানিছিলোঁ যে— আপুনি ব্যৱসায়ৰপৰা অৱসৰ ল'বলৈ বাট চাই আছে। দেউতা, এই ঘৰ আপোনাৰো নহয়নে? এই বাবে সুধিবলগীয়া একো নাই। আৰু—মাতৃ-পিতৃৰ সেৱাতকৈ মহৎ কাৰ্য্য আৰুনো কি আছে জগতত? গতিকে—আপুনি বা আপোনালোকে যদি মোক তথা আমাক সেৱাৰ এই সুযোগ প্ৰদান কৰে—আমি ধন্য মানিম।"

পুত্ৰৰ উত্তৰ শুনি বিনন্দৰ মনত আনন্দৰ পাৰ-কুল নাথাকিল। তেওঁ ঘৰ পাই কথাখিনি পৰিবাৰ ৰূপমতীক অতি গৰ্বৰে সৈতে ক'লে।

ৰূপমতীয়ে কৈ উঠিল, "আপুনি সঁচাকৈয়েই ব্যৱসায়ৰপৰা জিৰণি ল'ব খুজিছেনে কি?"

বিনন্দই হাঁহি মাৰি ক'লে, "মই মিছা কথাৰ ভঁৰাল সাজিছোঁ বুলি ভাবিছানে তুমি? কিয় ভাবিছা?"

ৰূপমতীয়ে ক'লে, "কি ব্যৱসায়ৰ কথাত, কি অন্য কথাতো—বিজয় নিজেই যথেষ্ট বুদ্ধিমান, আপোনাৰ সহায়-সাৰথি নহ'লেও তাৰ হৈ যাব; কিন্তু বিনয়ে আমাক এৰি এদিনো থাকিব নোৱাৰিব। কথা মাত্ৰ সিমানেই নহয়, বিনয়—

বেহা-বেপাৰতো বিজয়ৰ দৰে পাকৈত নহয়, আধা-কেঁচেলুৱা ; গ তি কে — আপোনাৰ সহায়-সাৰথি তাক লাগিবই। আৰু—আমি গুচি যাম বুলি শুনিলেই সি অসহায় হৈ পৰিব।"

গিৰিয়েক বিনন্দই ক'লে, "তেনেহ'লে কাম এটা কৰা, তাক কোৱা যে—আমি কিছুদিনৰ বাবে বিজয়ৰ ঘৰলৈ যাম। কথাটো—বিনয় যেতিয়া নাথাকিব—তেতিয়া বোৱাৰীক ক'বা।"

পাছদিনা বিনন্দই তেওঁৰ পৰিবাৰক সুধিলে যে তেওঁ বোৱাৰীক কথাটো কৈছিলনে নাই। ৰূপমতীয়ে শুকান মাতেৰে গিৰিয়েকক ক'লে যে—এই কথা শুনি বোৱাৰী মৃণালিনীয়ে ভালেই পাইছে, আৰু আমাৰ বিশালনগৰলৈ যোৱাৰ প্ৰস্তাৱ আনন্দৰে সমৰ্থন কৰিছে।

বিনন্দই ৰূপমতীক সুধিলে, "বিজয়ৰ ঘৰলৈ যাবলৈ তোমাৰ কিবা আপত্তি আছেনে বাৰু ?"

ৰূপমতীয়ে ক'লে, "বিনয়কো তো সুধিব লাগে এই কথাটো— ।"

পাছদিনা বিনন্দই বিনয়ক বুজাই ক'লে তেওঁলোকে বিশালনগৰলৈ যোৱাৰ কথা। তেওঁ বিনয়ক আৰু ক'লে, আগলৈ—আমি হয়তো বিজয়ৰ লগতেই থাকিম। কেতিয়াকৈ যে ইয়ালৈ উভতিম —সঠিককৈ ক'ব পৰা নাই। গতিকে—



ব্যৱসায়ৰ পূৰা কাম তুমিয়েই চম্ভালিবা। যদি কিবা কথাত টান পোৱা—তোমাৰ শহুৰদেউতাৰপৰা পৰামৰ্শ ল'বাগৈ, হৈ যাব। এটা কথা বিশেষভাবে মনত ৰাখিবা, বেপাৰী এজনে নিজেই সিদ্ধান্ত ল'ব লাগে, আৰু সেই সিদ্ধান্ত তুৰন্তে ল'ব লাগে। এয়ে হ'ল বেহা-বেপাৰত উন্নতিৰ মূল সূত্ৰ।"

আৰু পাচদিনাই পত্নীক লগত লৈ বিনন্দ বিশালনগৰলৈ বুলি ওলাই পৰিল।

বিনন্দ সস্ত্ৰীক বিশালনগৰত বসবাস কৰি থাকিল, কিন্তু গাঁৱৰ ঘৰৰ প্ৰায় সকলো খবৰ-বাতৰিও লৈ, বা পাই থাকিল। তুমাহঁতৰ অন্তত তেওঁ এই খবৰ পালে যে বিনয়ে ব্যৱসায়ত লাভৰো উপৰি লাভ কৰি আছে, আৰু ক'বলৈ গ'লে—ধনেদি মঠেই বান্ধিছে।

বিনয়হেন অপটুৰ পটুতাৰ কথা শুনি বিনন্দৰ আনন্দই পাৰ-কূল নজনা হ'ল। তেওঁ বিজয়ক ক'লে, "বোপা, কিছুদিনৰ আগতে, তোমাক যেতিয়া কৈছিলোঁ যে—তোমালোকৰ লগত কিছুদিন থাকিম—তেতিয়া মই এনেকৈ ক'ম বুলি তুমি আগতেই জানিছিলা—বুলি কৈছিলা মোক। মই এতিয়া তোমাক কি ক'বলৈ উচপিচাই আছোঁ—ক'ব পাৰিবানে?"

"পাৰিম তো—? মই ইয়াত বেহা-বেপাৰ বন্ধ কৰিম, আৰু আপোনালোক পুনৰ ঘৰলৈ উভতি যাবগৈ। কথাটো হয়নে নহয়—কওকচোন?" বিজয়ে ক'লে।

কাষতেই থিয় হৈ থকা ৰূপমতীয়ে আচৰিত মানি ক'লে, "হয়, ঠিকেই আমি আকৌ গাঁৱৰ ঘৰলৈ উভতি যাম বুলি স্থিৰ কৰিছোঁ।"

"কিন্তু—বেহা-বেপাৰৰ সৈতে তাৰ সম্পৰ্কনো কি? যদি মনত এই কথা আছিল—মিছামিছিকৈ ইয়ালৈ আহিছিলেইবা কিয়? আৰু—ইয়ালৈ আহি নতুনকৈ ব্যৱসায় আৰম্ভ কৰাৰ প্ৰয়োজন

কি আছিল ?" বিজয়ে প্ৰশ্নৰো উপৰি প্ৰশ্ন কৰি থাকিল।

পিতৃ বিনন্দই শান্ত কণ্ঠেৰে উত্তৰ দিলে, "তোমাৰ সকলো প্ৰশ্নৰ সদুত্তৰ দিয়াৰ সময়—সম্প্ৰতে মোৰ হাতত নাই। এইবোৰ প্ৰশ্নৰ উত্তৰ—ঘৰলৈ আহিবা—তাতে ধীৰে-সুস্থিৰে দিয়া যাব।"

বিনন্দ-ৰূপমতী পুনৰ ঘৰলৈ আহিল। এদিন ৰূপমতীয়ে বিশালনগৰৰ প্ৰসংগত পুনৰ প্ৰশ্ন কৰাত বিনন্দই ক'লে, "সুধিছা ভালেই কৰিছা. তোমাৰ মনৰ খু-হুৱনি হয়তো গুচাব পাৰিম। কথা হ'ল—বেহা-বেপাৰত বিনয় কিছু অদক্ষ—আমি এই কথাহে দেখি আহিছোঁ, জানি আহিছোঁ। কিন্তু ইয়াত—তাৰ ব্যৱসায়ৰ গুৰিবঠাখন ময়েই হৈ থকাহেঁতেন, সি জীৱনতো স্বাধীনভাৱে ব্যৱসায়িক সিদ্ধান্তে ল'ব নোৱাৰিলেহেঁতেন—এই কথা নিশ্চয় বুলি জানিবা। গতিকে — বিনয়ক প্ৰকৃত ব্যৱসায়ী কৰি তুলিবলৈ এনেহেন নাটকীয় ভাও দিয়াৰ বাহিৰে মোৰ পক্ষে আৰু কোনো উপায় আছিল বুলি মই আজিও ভাবিব পৰা নাই। বিজয়ো আমাৰ সন্তান, আৰু বিনয়ো আমাৰেই। ভাগ্যক্ৰমে—বিজয় আছিল বিনয়তকৈ অধিক বুদ্ধিমান, আৰু সৰ্বদিশতে অধিক গুণৱান। কিন্তু বিনয়ৰ এনেবোৰ গুণ যদিও নাছিল, তথাপি, সি-ও যে জীৱনৰ বাহিৰ হোৱা নাছিল, আৰু তাৰো সকলো কাম-বন যে আছিল জীৱনমুখী—অথচ সি একমাত্ৰ মোৰ বা আমাৰ ওপৰতে নিৰ্ভৰতাৰ কাৰণেই প্ৰকৃত স্বাধীন বা স্বাৱলম্বী হ'ব পৰা নাছিল—সেই কথাটো কটফটীয়াকৈ অনুধাৱন কৰিব পাৰিয়েই মই ইয়াৰপৰা আঁতৰি গৈ আওপকীয়া ভাবে তাক সহায় কৰিছিলোঁ।"

গিৰিয়েক বিনন্দৰ কথা শুনি ৰূপমতীৰ মুখখন হাঁহিৰে ভৰি পৰিল।

ভাতৃপ্ৰেমৰ কাৰণ

বুঢ়া মানুহ এজনে অ'লৈ-ত'লৈ ঘূৰি-ফুৰি থাকোঁতে এদিন এক পাহাৰুৱা ঠাইত কাঁচৰ বটল এটা দেখা পাই বুটলি ল'লে আৰু সেই বটলটোৰ ঠিলাটো খুলি দিয়াৰ লগে লগেই এটা বিৰাট ভূত ওলাই আহি বুঢ়াৰ আগত থিয় দিলে আৰু ক'লে, "তুমি মোক এই বটলৰ বন্দীত্বৰপৰা মুক্ত কৰিলা, কি বৰ লাগে কোৱা। পিছে—মাত্ৰ এটা বৰ খুজিবা, আৰু এই বৰৰ চৰ্ত্ত হ'ল যে—তুমি খোজা বৰটো নিঃস্বাৰ্থ হ'ব লাগিব। অৰ্থাৎ—তুমি কোনোবা দেশৰ ৰজা হোৱাৰ, কোনো ৰূপহী ৰাজকুঁৱৰীক বিয়া কৰোৱাৰ বৰ যদি খুজিছা - নাপাইছা।"

বুঢ়াই তৎক্ষণাৎ ক'লে, "শুনা, মোৰ ভাইৰ লগত মোৰ মিলাপ্ৰীতি নাই, বহুদিনৰ আগতে এৰা-এৰি হ'ল। তুমি মাত্ৰ মোক মোৰ ভাইৰ সৈতে মিলাপ্ৰীতি কৰাই দিয়া।"

"বঢ়িয়া! তোমাৰ ভ্ৰাতৃ-প্ৰেমৰ তুলনা নাই!" এই বুলি কৈ ভূতটো নিমিষতে নোহোৱা হ'ল আৰু পুনৰ নিমিষতে ঘূৰি আহিল আৰু বুঢ়াক ক'লে, "সোৱা, তোমাৰ ভাতৃ আহিব ধৰিছে।"

বুঢ়াই ভূতটোক সুধিলে, "মোৰ ভাতৃপ্ৰেমৰ মাজত তুমি কোনো স্বাৰ্থৰ গোন্ধ পোৱা নাই তো—? বৰ ঘূৰাই নোলোৱা তো—?"

ভূতটোৱে সুধিলে, "তুমি বাৰ্ধক্যৰ ভৰত তোমাৰ ভ্ৰাতৃৰ সৈতে মিলাপ্ৰীতি কৰিব খুজিছানে কি?"

বুঢ়াই হো হোকৈ হাঁহি মাৰি ক'লে, "মোৰ ভাই মোতকৈ দহ বছৰৰ ডাঙৰ। সি হ'ল এই দেশৰ ৰজা; কিন্তু তাৰ কোনো ল'ৰা-ছোৱালী নাই। ময়েই তাৰ একমাত্ৰ উত্তৰাধিকাৰী।"

বুঢ়াৰ উত্তৰ শুনি ভূতটোৱে এক মৰ-চিঞৰ মাৰি বুঢ়াৰ নামত থু পেলাই নোহোৱা হৈ গ'ল।

৪

[আগৰ কথা : ফাললোচনই ভৰ জাল ফালি ৰূপধৰ আৰু তেওঁৰ লগৰীয়া তথা অনুচৰইত ওলাই আহিছিল, আৰু তাৰ পাছত বজা চিত্ৰাশ্বৰপৰা অভাৱিত সহায়তা পাই নিৰ্বিঘিনিৰে গৈ গৈ স্বদেশ ইথাকাদেশৰ সীমা পাইছিলগৈ। কিন্তু ঠিক তেতিয়াই ৰূপধৰৰ অনুচৰ কেইজন-মানে ৰজা চিত্ৰাশ্বই বান্ধি দিয়া ছয় অনিষ্টকৰ বায়ুৰ থৈলাটো খোলাত সিহঁত পুনৰ ভয়ংকৰ বিপদৰ মাজত সোমাই পৰিল আৰু উটি-ভাহি অন্য এক ৰাক্ষসদ্বীপ পালেগৈ। ৰূপধৰৰ বহু সংখ্যক অনুচৰক সেই ৰাক্ষসইঁতে খাই পেলালে; আছাৰি মাৰিলে, আৰু নাওবিলাক টুকু ৰা-টুকুৰ কৰি পেলালে। কেৱল ৰূপধৰৰ নাওখন কথমপি ৰক্ষা পৰিল। আৰু তাৰ পাছত···]

সমুদ্ৰৰ উত্তাল বুকুৰেদি দীঘলীয়া যাত্ৰাৰ অন্তত ৰূপধৰে তেওঁৰ সেই সামান্য সংখ্যক অনুচৰৰে সৈতে এক অতি নয়নমনোহৰ দ্বীপ পালেগৈ।

এই দ্বীপত কেশিনী নামৰ এজনী মায়াবিনী মানৱী দেৱী আছিল। কেশিনী হেনো বহু ভাষাবিদ দেৱী মানৱী।

কেশিনীৰ কথা ৰূপধৰে একোৱেই জনা নাছিল। সেইহে কেশিনীৰ চিন্তাত চিন্তিত নোহোৱাকৈয়েই ছটা দিন সেই সুৰম্য দ্বীপৰ সমুদ্ৰতটতে অতিবাহিত কৰিলে, যদিও ৰূপধৰৰ অনুচৰইঁত স্বদেশৰ কথা ভাবি একেবাৰে নিৰাশাৰ এন্ধাৰত ডুব গ'ল আৰু কিছুমানে কান্দি থাকিল।

তৃতীয় দিনা ৰূপধৰে তৰোৱাল আৰু যাঠি লৈ ওলাই পৰিল সেই দ্বীপৰ সা-সন্ধান ল'বলৈ। গৈ গৈ এটি ওখ টিলাৰ ওপৰলৈ উঠি ৰূপধৰে চাৰিওফালে চালে; কিন্তু বিশেষ একো তেওঁ দেখা নাপালে। পিছে—বহু দূৰত এঠাত ধোঁৱাই গুলুম বান্ধি উঠা দেখা পাই ৰূপধৰৰ দৃষ্টি বৈ গ'ল।

ধোঁৱা ওলোৱা এই ঠাই, তথা এই ঘৰটোৱেই আছিল সেই মায়াৱিনী কেশিনীৰ ঘৰ। ৰূপধৰে তালৈ যাবলৈ মনকৰিলে।

কিন্তু পাছ মুহূৰ্ততে ভাবিলে যে প্ৰথমতে অনুচৰহঁতৰ মাজত কিছুমানক পঠোৱা যাওক, পাছত নিজে যাম।

ৰূপধৰ টিলাৰপৰা নামি আহিল, আৰু আহাৰ প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিবলৈ অনুচৰহঁতক বুলি ভাবিলে; কিন্তু লগে লগে মনত পৰিল যে—আহাৰ প্ৰস্তুত কৰিবলৈ কোনো প্ৰকাৰৰ আহাৰ্য্যয়েই নাই।

আহাৰ্য্য নাই — এই কথাটোৱে ৰূপধৰৰ খোজ স্তিমিত কৰি পেলালে আৰু ঠিক সেই মুহূৰ্ততে জংগল ফালি এটা পহু ওলাল— যেনিবা ৰূপধৰহঁতৰ আহাৰ্য্য হ'বলৈকেহে ওলাল। আৰু ৰূপধৰে লগে লগে হাতত থকা যাঠিপাত পহুটোৰ গালৈ দলিয়াই মাৰিলে আৰু সেই বিৰাট আকাৰৰ পহুটো তৎক্ষণাৎ মৰিল।

তাৰ পাছত ৰূপধৰে কিছুখিনি লতাৰে মৃত পহুটোক বান্ধি, পিঠিত কঢ়িয়াই লৈ সমুদ্ৰৰ পাৰত থকা নাৱৰ ওচৰলৈ গ'ল আৰু নাৱৰ ওচৰ পাই সেই বিৰাট পহুটোক ধুপুচকৰে মাটিত পেলাই হেঁপাই-ফোঁপাই অনুচৰহঁতলৈ চাই চাই ক'লে, "বন্ধুহঁত, যমৰ আলহী হ'বলৈ আমাৰ ঢেৰ দিন আছে। সেইহে এই পহুটো—ক'বলৈ গ'লে নিজে নিজেই আমাৰ খাদ্য হিচাপে আমাৰ ওচৰত হাজিৰ হৈছেহি।"

হতাশ-নিৰাশ অনুচৰহঁতৰ মাজত যেনিবা আশাৰ ৰেঙণি ফুটি উঠিল, আৰু প্ৰচণ্ড উছাহৰে সৈতে সিহঁতে পছুটোৰ ছাল বখলিয়াই পৰিষ্কৃত কৰি লৈ জুইৰে সেঁকি থাকিল।

পাছদিনা, খাই-বৈ চাঙ্গা হোৱা অনুচৰহঁতক ৰূপধৰে ক'লে "বন্ধুসকল, এই দ্বীপ আমাৰ একেবাৰে অচিনাকি। এই দ্বীপৰ ক'ত কি আছে-নাই—আমি একোকে ক'ব নোৱাৰোঁ। কিন্তু—আমি এই দ্বীপৰ হাল-চাল জানি ল'ব লাগিব। তোমালোক হ'লা দুৰন্ত সাহিয়াল গ্ৰিক। কথাতে বোলে — গ্ৰিকৰ সদায় জয়, কিয়নো গ্ৰিকে নাজানে পৰাজয়। যি কি নহওক—আমি এতিয়া যিখিনি আছোঁ, সেইখিনিক দুভাগত ভগাই—এভাগৰ নেতৃত্বত থাকিম মই, আৰু আনভাগৰ নেতা পাতিম আমাৰ মায়নক।" মই এটা টিলাৰ ওপৰত উঠি কিছু দূৰত ধোঁৱা ওলাই থকা ঘৰ এটা দেখা পাইছোঁ। সেই ঘৰটো কাৰ—কি বৃত্তান্ত—সকলো জানি আহিব লাগে আৰু তাৰ পাছত যি কৰণীয় কৰিব লাগে। সেই ঘৰটোৰ বা-বিবৰণ জানি আহিবলৈ লগৰীয়া কিছুমানক লৈ মায়ন তালৈ যাওক। যিমান শীঘ্ৰে সম্ভৱ সেই ঘৰটোৰ কথা আৰু অন্যান্য জানিব-লগাখিনি জানি আহি মোক কওকহি। মায়ন, তুমি এতিয়াই ওলোৱা।"

কিন্তু অনুচৰহঁতৰ মাজত কোনো উৎসাহ দেখা নগ'ল কিয়নো—ফাল-লোচনহঁতৰ ফান্দৰ কথা, আৰু তাৰ পাছতো অন্য দ্বীপত ৰাক্ষসহঁতে কপাকপ ধৰি খোৱাৰ কথা সিহঁতে এতিয়াই পাহৰি যাব পাৰেনে?

তথাপি উপায় নাই। ৰূপধৰে অনুচৰ-হঁতক দুভাগত ভগাই এদলৰ নেতৃত্ব নিজে ল'লে, আৰু আন দলটোক মায়নৰ নেতৃত্বত তালৈ যাবলৈ আদেশ দিলে। এইদৰে নেতা হৈ অজান ৰহস্য



উলিয়াবলৈ ভলোৱাৰ কথাত মায়নো মোলানেই পৰিল; কিন্তু তথাপি—ৰূপধৰৰ আদেশ অমান্য কৰাৰ সাহস তাৰ একেবাৰেই নহ'ল।

আৰু অনিচ্ছুক মায়নে তাৰ দলটোক লৈ তেতিয়াই ওলাই পৰিল।

কিছু সময় ধৰি হাবিৰ কাষেদি গৈ গৈ—কেঁকুৰি এটা ঘূৰিয়েই সেই ঘৰটো দেখা পাই মায়ন থমকি ৰ'ল আৰু লগে লগে তাৰ লগৰীয়া অনুচৰহঁতেও বৈ দিলে। ৰূপধৰে কোৱা সেই ঘৰটো অনতিদূৰত দেখা গৈছে।

তাৰ পাছত—মায়নৰ নিৰ্দেশত অনুচৰহঁত পুনৰ এখোজ-দুখোজকৈ আগুৱাই গৈ থাকিল আৰু গৈ গৈ এসময়ত সেই প্ৰায় সাৰ-সুৰ নথকা নিৰৰ-নিৰ্জন—বিৰাট চোতাল থকা ঘৰটোৰ দুৱাৰমুখ পালেগৈ।

সেই চোতালৰ অ'ত ত'ত বাঘ-সিংহ আৰু অন্যান্য হিংস্ৰ জন্তুও শুই-বহি থকা দেখা পাই মায়নহঁত পুনৰ বৈ দিলে। কিন্তু কথা আচৰিতেই— সেই ভয়ানক হিংস্ৰ জন্তুবিলাকে ইমানবোৰ অচিনাকি মানুহক দেখা পাই টুঁ-শব্দটিও নকৰিলে!

আচলতে এই জন্তুবিলাকো আছিল মানুহ। কেশিনী মায়াবিনীয়ে তাইৰ যাদুমন্ত্ৰেৰে সেই মানুহবিলাকক জন্তুলৈ ৰূপান্তৰিত কৰিলে।

ইতিমধ্যে সেই ঘৰটোৰপৰা গীত-মাতৰ শব্দ ভাহি আহিল আৰু মায়নে দূৰৰেপৰাই লক্ষ্য কৰিলে যে এজনী দীঘলচুলীয়া তিৰোতাই নাচি নাচি গীত গাই আছে।

মায়নে তাৰ লগৰীয়াহঁতলৈ চাই ক'লে, "আৰুনো কিয় পলম কৰিব লাগে—? সেইজনীক মতা যাওক।"

আৰু বাহিৰৰপৰা মাত শুনাৰ লগে লগেই নৃত্য-গীত বন্ধ কৰি কেশিনী ঘৰৰ ভিতৰৰপৰা ওলাই আহিল।

ওলাই আহি কেশিনীয়ে অতি ভদ্র ভাবে সকলোকে ঘৰৰ ভিতৰলৈ আদৰি লৈ গ'ল ; কিন্তু মায়ন ভিতৰলৈ নগ'ল, সি কেশনীয়ে নেদেখাকৈ এজোপা গছৰ আঁৰ লৈ বৈ থাকিল।

ইতিমধ্যে কেশিনীয়ে ঘৰৰ ভিতৰলৈ আদৰি লৈ যোৱা ৰূপধৰৰ অনুচৰহঁতক সুদৃশ্য পাত্ৰত পানীয় দিলে আৰু সেই পানীয় পি-খোৱাৰ লগে লগেই সিহঁতে জগতৰ সকলো কথা পাহৰি গ'ল, কেৱল কেশিনীৰ ৰূপতহে ভোল গ'ল।

তাৰ পাছত কেশিনীয়ে এডাল স্বৰ্ণদণ্ড সিহঁতৰ গাত ছোৱালে আৰু লগে লগে ৰূপধৰৰ অনুচৰহঁত গাহৰিলৈ ৰূপান্তৰিত হৈ সেই ভয়ংকৰী কেশিনীৰ ঘৰৰ পিছফালত থকা গৰালত আশ্ৰয় ল'লে।

আঁৰৰপৰা এই দৃশ্য দেখি-ভীত সন্ত্ৰস্ত মায়নে ফেঁটীৰ মূৰ ছিঙা লৰ দি—একেলৰে সমুদ্ৰতট পাই ৰূপধৰৰ ওচৰত আছাৰ খাই পৰিল আৰু কিছু সময়লৈ মাত-বোলকে কৰিব নোৱৰা হ'ল। তেতিয়া মায়নৰ চকুৰেদি লোতক বাগৰি আছিল। ৰূপধৰে মায়নক নানাভাবে সান্ত্বনা দিলে আৰু তাৰ পাছত মায়নৰপৰা অলপ অলপকৈ সকলোখিনি কথা জানি লৈ, জুইহেন হৈ খাপৰপৰা



তৰোৱাল দাঙি লৈ হুংকাৰি উঠিল. "কৌন হ্যায় ! মোৰ সৈতে এতিয়াই ব'লা। সেই মায়াবিনী কেশিনীক কাটি টুছোৱা কৰিলেহে নিজক গ্ৰিক বুলি ভাবিম।"

জুইহেন ৰূপধৰে ম্ৰিয়মান মায়নক একে আঁজোৰতে থিয় কৰালে আৰু ক'লে, "পাহৰি নাযাবা মায়ন—তুমিও গ্ৰিক। মোক সেই মায়াবিনী কেশিনীৰ ঘৰটো দেখুৱাই দিয়া, ব'লা, তাইক যমৰ আলহী কৰি গ্ৰিক তেজৰ আহি দাঙি ধৰোঁগৈ।"

কিন্তু মায়ন থিয় হোৱাৰেপৰাই ধুপুচকৈ ৰূপধৰৰ ভৰিত ওচৰত বহি পৰিল আৰু ৰূপধৰৰ ভৰি দুখনত সাৱটি ধৰি ৰূপধৰক ক'লে, "মোক আৰু তালৈ



যাবলৈ নক'বা, মই আৰু নাযাওঁ, মই ইয়াতে থাকিম, মোক দয়া কৰা। তুমিও নোযোৱাই ভাল, কিয়নো—তাৰপৰা তুমি ঘূৰিবৰ আশা নাই। আৰু—তোমাৰ সৈতে যাওঁ যদি—ময়ো আৰু ঘূৰিব নোৱাৰিম—কিবা এটা জন্তু হৈ জীৱন কটাম। ব'লা, এই ভয়ানক ঠাই এৰি আমি এই মুহূৰ্ততে গুচি যাওঁ হ'লা।"

"ঠিক আছে, মায়ন, তুমি মোৰে সৈতে যাব নোলাগে, তুমি নাওখনৰ পৰীয়া হৈ ইয়াতে থাকা; কিন্তু মই তালৈ যামেই, আৰু মায়াবিনী কেশিনীক চামেই।" ৰূপধৰে কঠিন কণ্ঠেৰে ক'লে।

তাৰ পাছত ৰূপধৰ তালৈ গৈ থাকিল। গৈ গৈ যেতিয়া কেশিনীৰ ঘৰ পাওঁ পাওঁ হ'ল—তেতিয়া হঠাৎ ক'ৰবাৰপৰা যুৱক এজন — যেনিবা মাটি ফালিহে ওলাল আৰু ৰূপধৰক ক'লে, "বেচাৰা, ক'লৈনো গৈ আছা? সৌ ঘৰটোযে মায়াবিনী কেশিনীৰ ঘৰ—জানানে তুমি? তোমাৰ অনুচৰবিলাকক যে তাই কেশিনীয়ে গাহৰি বনাই গৰালত ভৰাই থৈছে—জানোনে কথাটো? তুমিও কিবা গাহৰি হ'বলৈহে লৰৰি-ধাপৰি ইয়ালৈ আহিলানে? শুনা, মই যি কওঁ, শুনা, আৰু আখৰে আখৰে মানা, নহ'লে অপমৰণে মৰিবা। কেশিনীয়ে তোমাকো পানীয় পি-খাবলৈ দিব আৰু তুমি খাবও লাগিব। পিছে—হোঁ, এয়া লোৱা, এই শিপা টুকুৰা সেই পনীয়ত পেলাই দিবা, আৰু তাৰ পাছত খাবা, তেতিয়া কেশিনী মায়াবিনীৰ জাদুৱে কোনো গুণ নিদিব। তাৰ পাছত —তোমাকো কেশিনীয়ে তাইৰ মন্ত্ৰদণ্ডেৰে ছুব, কিন্তু তোমাৰ কোনো অনিষ্ট নহ'ব—সেই শিপাৰ যহতে। তুমি চকুৰ পচাৰতে তৰোৱাল উলিয়াই কেশিনীক আক্ৰমণ কৰিলেই তাই মেকুৰীৰ দৰে সেও হৈ তোমাক বিয়া কৰাব বুলি ক'ব। তুমি সূৰ্য্য দেৱতাৰ নামত তাইক শপত খুৱাবা

যে—বিয়াৰ পাছত তাই তোমাৰ বা তোমালোকৰ অনিষ্ট নকৰিব—তেতিয়াহে তাইক বিয়া কৰাবা, নহ'লে মৰিবা।" এই বুলি কৈয়েই সেই যুৱক তাৰপৰা নোহোৱা হৈ পৰিল।

ৰূপধৰ চিন্তিত হ'ল, কিন্তু কেশিনীৰ ঘৰলৈ আহিল।

কেশিনীয়ে ৰূপধৰক আথে-বেথে বহুৱালে, যথেষ্ট আদৰ-সাদৰ কৰি সুদৃশ্য পাত্ৰত পানীয় আগবঢ়ালে, আৰু ৰূপধৰেও কেশিনীয়ে নেদেখাকৈ শিপাৰ সেই সৰু টুকুৰাটো পানীত পেলাই পানীয়খিনি পি-খালে, আৰু তাৰ ফলত কোনো বিৰূপ প্ৰতিক্ৰিয়া নহ'ল।

তাৰ পাছত কেশিনীয়ে তাইৰ মন্ত্ৰদণ্ড ৰূপধৰৰ গাত ছোৱাই কৈ উঠিল, "যা—যা, তোৰ লগৰীয়ামখাৰ সৈতে তয়ো গাহৰি হৈ গড়ালত থাকগৈ যা—।"

আৰু চকুৰ পচাৰতে খাপৰপৰা তৰোৱাল উলিয়াই আনি ৰূপধৰে কেশিনীক আক্ৰমণ কৰাত কেশিনীয়ে বিপদ গমি ৰূপধৰৰ ভৰিৰ ওচৰত বহি ক'লে, "মই—মই তোমাক পৰীক্ষাহে কৰি আছিলোঁ— মই তোমাক বিয়া কৰাম।"

ৰূপধৰে সেই যুৱকৰ কথা মতে সকলো কাম কৰিলে, কেশিনীক সূৰ্য্য দেৱতাৰ নামত শপত খুৱালে, আৰু গাহৰিলৈ ৰূপান্তৰিত কৰা তেওঁৰ অনুচৰ-হঁতক কেশিনীৰদ্বাৰা মন্ত্ৰমুক্ত কৰি পুনৰ মানুহলৈ ৰূপান্তৰিত কৰোৱালে।

তেতিয়া কেশিনীয়ে ৰূপধৰক ক'লে, "মই যি কওঁ, ঠিক সেই মতে কাম কৰা। সমুদ্ৰতটৰপৰা তোমালোকৰ নাওখন এটা গুহাত সুৰক্ষিত কৰি থৈ দিয়া, আৰু তোমাৰ সকলো লগৰীয়া তথা অনুচৰহঁতক লগত লৈ নিঃচিন্ত মনেৰে ইয়ালৈ উভতি আহাঁ।" আৰু সেই কেশিনীৰ কথাত ৰূপধৰে 'হয়' কৰিলে। [আগলৈ

একমাত্র সৎ

হেলাপুৰৰ হৰকান্ত আছিল এজন সাধাৰণ গৃহস্থ মানুহ। এদিন হৰকান্তৰ ঘৈণীয়েকে হৰকান্তক চহৰলৈ পঠালে ইটো-সিটো বস্তু-সামগ্ৰী লৈ আহিবলৈ। হৰকান্তই চহৰৰ ভালেমান দোকানৰপৰা বস্তু-বাহানি কিনি, এটা মুটিয়াৰ মূৰত উঠাই দি, বংমনে ঘৰমুৱা হ'ল। কিন্তু কিছুদূৰলৈ গৈ তাৰ মনত পৰিল যে তাৰ হাতত থকা তাৰ লাখুটিডাল সি ক'ৰবাত ভুলতে পেলাই থৈ আহিছে। তেতিয়া হৰকান্ত পুনৰ চহৰলৈ উভতি গ'ল, আৰু সি বস্তু কিনা প্ৰতিখন দোকানত তাৰ বেতৰ লাখুটিডালৰ কথা সুধিলে, কিন্তু কোনেও সেই বিষয়ে একো ক'ব নোৱাৰিলে।

তেতিয়া—হতাশ মনেৰে সি পুনৰ ঘৰমুৱা হ'ল, আৰু বাটত আন এখন দোকান দেখা পাই সেই দোকানতো সুধিলেগৈ, কিয়নো তাৰপৰাও সি বস্তু কিনিছিল।

তাৰ লাখুটিডালৰ কথা সোধাত দোকানীয়ে হৰকান্তক ক'লে, "সৌৱা চাওক, তাত এডাল লাখুটি। সেই ডাল আপোনাৰডাল হয়নে ?"

হৰকান্তই তাৰ হেৰোৱা লাখুটিডাল পাই আনন্দৰে কৈ উঠিল, "এই চহৰৰ যিমানবোৰ দোকানী, তাৰ মাজত একমাত্ৰ আপুনিয়েই সৎ; বাদবাকীবোৰে মোৰ লাখুটিডাল নাই দেখা বুলি মোক চাফ্ চাফ্ কৈ দিলে।"

হৰকান্তই হৰহৰকৈ কোৱা কথাখিনি শুনি এইজন দোকানী ভেবা লাগিল।



প্ৰকৃত জ্ঞানী

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য তথাপি নদমিল। তেওঁ সেই পুনৰ গছজোপাৰপৰা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ নিমাতে-নিৰৱে পুনৰ মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্! তোমাৰ ধৈৰ্য্য-সহ্যগুণৰ কোনো তুলনা নাই ; কিন্তু এই গুণ যে সদায় সকলোতে প্ৰশংসিত হ'ব, তাৰও কোনো নিশ্চয়তা নাই। গুণ থাকিলেই তাৰ সমাদৰ—এই কথা সদায় সত্য নহয়, কিয়নো, মানুহৰ সমাজখন এক বিচিত্ৰ বস্তু। এই সমাজে কেতিয়াবা গুণীৰো আদৰ-সামাদৰ নকৰা নহয় ; যদিও প্ৰকৃত জ্ঞানী লোক সৰ্বকালতে আদৃত হয়। উদাহৰণস্বৰূপে, এই বিষয়ে তোমাক বিমল আৰু প্ৰতাপৰ কাহিনী কওঁ শুনা।" এই বুলি কোৱাৰ অন্তত বেতালে পুনৰ কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'



বল্লভপুৰৰ বিমল আছিল—সেই অঞ্চলৰ ৰাইজৰ মতে—সৰ্ববিদ্যাবিশাৰদ। সকৰেপৰাই বিমল আছিল পঢ়া লিখাত চোকাৰো চোকা, আৰু ডাঙৰ হৈ নানান বিদ্যাত হৈ উঠিল একে বাৰে চোকৰ তৰোৱালহেন। সাহিত্য, সংগীত, নৃত্য কলা, চিত্ৰকলা, অস্ত্ৰযুদ্ধ, মল্লযুদ্ধ —সৰ্ব বিদ্যাত পাৰংগম।

কিন্তু এই পাৰংগমতাই যেতিয়া সীমা লংঘন কৰাৰ উপক্ৰম হ'ল—তেতিয়া এদিন বিমলৰ দেউতাকে বিমলক ইকথা-সিকথাৰ মাজত ক'লে, "তুমি বাৰু বিজয়নগৰৰ প্ৰতাপৰ কথা শুনা নাইনে? প্ৰতাপেও সৰ্ব বিদ্যা শিক্ষা কৰিছিল আৰু এতদঞ্চলত প্ৰতাপেই হ'ল অগ্ৰগণ্য সৰ্ববিদ্যাবিশাৰদ—এই কথাত এতদঞ্চলত ৰাইজ একমত।"

দেউতাকৰ কথাত বিমলৰ ভুৰু কিঞ্চিত কোঁচখাই পৰিল, আৰু পাছদিনাই বিমল বিজয়নগৰলৈ গ'ল।

বিমলে প্ৰতাপক মল্লযুদ্ধলৈ আহ্বান জনালে, আৰু প্ৰতাপও সন্মত হ'ল।

এই মল্লযুদ্ধত বিমল যেতিয়া হাৰিল, তেতিয়া বিজয়ী প্ৰতাপে বিমলক সহজভাৱেই ক'লে, "তোমাৰ মাজত গুণ নথকা নহয়, আছে। পিছে— কেৱল গুণ থাকিলেই নহ'ব, লগতে বহুত কিবাকিবি জানিব লাগিব। তুমি যদি ইচ্ছা কৰা—মোৰ শিষ্য হ'ব পাৰা।"

বিমলে আক্ৰোহভৰা কণ্ঠেৰে ক'লে, "তুমিও মোৰ দৰেই কিছুমান বিদ্যা শিকিছাহে, গতিকে—এই কথাত ৰৰ বেছি গৰ্ব-অহংকাৰ নকৰিবা। তোমাৰ শিষ্যত্ব গ্ৰহণ কৰাৰ কোনো আৱশ্যকতা মই দেখা নাই।" এই বুলি কৈ, বিমল তাৰপৰা গুচি গ'ল।

এইখন বিজয়নগৰতে এজন বিখ্যাত তৰোৱাল-যোদ্ধা আছিল, তেওঁৰ নাম বীৰবাহু। এবাৰ প্ৰতাপৰ সৈতে বীৰবাহুৰ

তৰোৱাল-প্ৰতিযোগিতা হৈছিল, আৰু সেই প্ৰতিযোগিতাত বীৰবাহু পৰাজিত হৈছিল। এই পৰাজয়ৰ গ্লানি বীৰবাহুৱে কদাপি পাহৰিবপৰা নাছিল। তেওঁ যেতিয়া বিমলৰ সন্ধান পালে, তেতিয়া সিদিনাৰ সেই পৰাজয়ৰ হোৰ তুলিবলৈ বিমলক তৰোৱালবিদ্যাত আৰু অন্যান্য বিদ্যাতো পাৰংগমতা প্ৰদান কৰিবলৈ বিমলক তেওঁৰ ওচৰলৈ মতাই অনালে।"

বিমল আহিল বীৰবাহুৰ ওচৰলৈ, বীৰবাহুৱে বিমলক পৰীক্ষা কৰিলে, আৰু পৰীক্ষাৰ অন্তত বীৰবাহুৱেও উপলব্ধি কৰিলে যে বিমলৰ মাজত গুণ আছে।

বীৰবাহুৱে বিমলক এবছৰ ধৰি কঠিন ভাৱে তৰোৱালৰ-শিক্ষা দিলে আৰু এবছৰ অন্তত প্ৰতাপৰ সৈতে তৰোৱাল-যুদ্ধৰ প্ৰতিযোগিতা কৰিবলৈ উদগালে।

বিমলে পৰিপূৰ্ণ আস্থাৰে সৈতে প্ৰতাপৰ সৈতে তৰোৱাল-যুদ্ধৰ প্ৰতিযোগিতা কৰিলে; কিন্তু বিমলক প্ৰতাপে পৰাজিত কৰিলে।

তাৰ পাছতো—প্ৰতাপৰ সৈতে গদা-যুদ্ধ, খড়্গ যুদ্ধ, ধনুৰ্বিদ্যা আদিতো প্ৰতাপৰ হাতত বিমল পৰাজিত হ'ল।

বিমলে মুক্তকণ্ঠেৰে নহ'লেও—প্ৰতাপৰ শ্ৰেষ্ঠতাক স্বীকাৰ কৰি ল'লে আৰু ক'লে, "প্ৰথমৰ ফালে আপোনাৰ প্ৰস্তাৱত মই সন্মত হোৱা নাছিলোঁ, কিন্তু এতিয়া

আপোনাৰ শিষ্য হিচাপে মোক গ্ৰহণ কৰে যদি—মই ধন্য মানিম।"

প্ৰতাপে মিঠাকৈ হাঁহিৰে বিমলক ক'লে, "তুমি যে প্ৰকৃততেই গুণী, সেই কথাত মোৰো তিলমানো সন্দেহ নাই। কিন্তু—মোৰ শিষ্য হ'বলৈ হ'লে—মোক কিবা এটা বিষয়ত পৰাজিত কৰিব লাগিব, তেহে শিষ্য হিচাপে ল'ম।"

বিমলে প্ৰতাপৰ ওচৰত মূৰ দোঁৱাব খুজিছিল, কিন্তু প্ৰতাপৰ অহংকাৰৰ কথাই বিমলক কঠিন কৰি তুলিলে আৰু ভাবিলে,—যেনেকৈয়েই নহওক—এই প্ৰতাপক পৰাজিত কৰিবই লাগিব।

কিন্তু ভালেমান দিন ধৰি ভাবিও প্ৰতাপক পৰাজিত কৰাৰ কোনো উপায় নাপাই বিমলে এদিন আত্মহত্যা কৰাটোকে খাটাং কৰিলে আৰু নৈৰ পানীত ডুবি মৰিব বুলি স্থিৰ কৰি নৈৰ পাৰলৈ গ'ল।

নৈৰ পাৰত এগৰাকী সাধুবাবাৰ দৰ্শন লভিলে বিমলে। সাধুবাবাই তেওঁৰ তপস্যাৰ বলেৰে বিমলৰ মনৰ কথা জানিছিল। তেওঁ বিমলক আত্মহত্যা কৰিবলৈ নিষেধ কৰিলে, আৰু আৰ এই সিদ্ধান্তৰ কাৰণ কি—সুধিলে। বিমলেও তাৰ সকলো কথা সাধুবাবাক ক'লে।

তেতিয়া সাধুবাবাই বিমলক ক'লে, "পুত্ৰ, তোমাৰ মুখমণ্ডলত দেখোন যথেষ্ট তেজস্বিতা বিদ্যমান। তুমি কেনেকৈনো জীৱনত পৰাজয় বৰণ কৰিবা? —তুমি বেদান্ত শিক্ষা কৰা, তোমাক জগতৰ কোনেও পৰাজিত কৰিব নোৱাৰিব।"

সাধুবাবাৰ কথাত বিমলৰ প্ৰাণ-মন পুনৰ পোহৰ হৈ উঠিল।

বিমলে দহ বছৰ ধৰি অক্লান্তভাবে সাধুবাবাৰপৰা বেদ-বেদান্তৰ শিক্ষা ল'লে, আৰু তাৰ পাছত এদিন গুৰুক ক'লে, "হে গুৰুদেৱ! আপোনাৰ অপাৰ কৃপাৰে মোৰ মাজত জ্ঞানৰ উদয় হ'ল। এইবাৰ

মোক প্ৰতাপৰ সৈতে সাক্ষাৎ কৰিবলৈ অনুমতি প্ৰদান কৰক।"

সাধুবাবৰপৰা অনুমতি লভি বিমল পোনে পোনেই প্ৰতাপৰ ওচৰলৈ আহিল আৰু বেদ-বেদান্তৰ আলোচনাৰ তথা তৰ্কৰ প্ৰতিযোগিতা কৰিবলৈ প্ৰতাপলৈ নম্ৰ অহ্বান জানালে আৰু প্ৰতাপেও সামান্যমান দ্বিধাৰ অন্তত বিমলৰ এই প্ৰত্যাহ্বান গ্ৰহণ কৰিলে।

আৰু এই অভিনৱ প্ৰতিযোগিতাৰ কথা সেই সমগ্ৰ অঞ্চলত বনাগ্নিৰ দৰে বিয়পি পৰিল। সাধাৰণ মানুহ-মুনিহৰ তো কথাই নাই, অসংখ্য পণ্ডিত তথা শাস্ত্ৰবিদো ঢপলিয়াই আহিল।

প্ৰতিযোগিতাৰ প্ৰাৰম্ভণত প্ৰতাপে বিমলক ক'লে, "মল্ল-যুদ্ধত, খড়্গ-যুদ্ধত, তৰৱাৰি-যুদ্ধত, ধনুৰ্বিদ্যাত, আনকি শাস্ত্ৰ-চৰ্চ্চাতো তুমি মোৰ ওচৰত পৰাজিত হৈছিলা। গতিকে—তুমি প্ৰথমেই কোৱা যে বেদ-বেদান্তৰ বিষয়ে তুমি কি কি জানিলা। তেতিয়া মই তোমাৰ সৈতে তৰ্ক কৰাৰ বাবে সাজু হ'ব পাৰিম। মই যদি মোৰ মত পদে-প্ৰমাণে প্ৰতিষ্ঠিত কৰিব পাৰোঁ, তুমি পৰাজয় নিজেই মানি ল'বা আৰু যদি নোৱাৰোঁ, মই মোৰ পৰাজয় নিজেই মানি ল'ম।—এই চৰ্ত

মঞ্জুৰ—? কোৱা, ৰাজী?"

বিমলে মিঠাকৈ হাঁহিৰে ক'লে "হে আৰ্য্য, বেদান্তসাৰ জনাৰ অন্তত মোৰ আত্মজ্ঞান হ'ল, মই যে ঠিক কি—আৰু কিমান ক্ষুদ্ৰ—সেই কথা জানিলোঁ। কিন্তু আগতে ময়ো নিজক সৰ্বজ্ঞ বুলিয়েই জানিছিলোঁ, জানিছিলোঁ যে—মই নজনা একো নাই। এই গৰ্ব—এই দম্ভয়েই মোক অন্ধ কৰি ৰাখিছিল। এতিয়া মই এইবোৰ দম্ভৰ বন্ধনৰপৰা মুক্ত। মোক আপুনি শিষ্য হিচাপে লওক আৰু মোক ধন্য কৰক। আপোনাৰ ওচৰত মোৰ বিনম্ৰ প্ৰাৰ্থনা — বেদান্তসাৰৰ ব্যাখ্যা

কৰিবলৈ মোৰ বাধ্য নকৰিব, এই কাৰ্য্য —বেদান্তৰ ব্যাখ্যা—এক অসম্ভৱ কথা।"

বিমলৰ বিনম্র কথাত প্রতাপে তৰধ মানিলে আৰু ক'লে, "মই মোৰ জীৱনত কিমানক যে প্রতিযোগিতাত পৰাজিত কৰিলোঁ, তাৰ লেখ-জোখ নাই। কিন্তু বিমল, তোমাৰ এই বৈদান্তিক নম্রতাক মই কোনো অস্ত্ৰেৰেই পৰাজিত কৰিব নোৱাৰিম। বেদান্তই তোমাক যি গুণ দিলে, সেই গুণৰপৰা মই পূর্ণৰূপে বঞ্চিত হৈ আছোঁ। মই তোমাক নহয়, তুমিয়েই মোক শিষ্যৰূপে গ্রহণ কৰা যদি—মই প্রকৃততেই ধন্য মানিম।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, বিমল আৰু প্রতাপৰ কথাখিনিত কিছু বাক্-চাতুৰ্য্য আছে ঠিকেই, কিন্তু সেইবোৰ কথাত আন্তৰিকতা যে কিমান—সেই বিষয়ে মোৰ সন্দেহ আছে। বিমলৰ মাজত বেদান্ত জ্ঞান যে কিমান—সেই কথা কথা কিন্তু প্রমাণিত হোৱা নাছিল। আৰু কেৱল কথাৰ মহলাৰ বাহিৰে—প্রতাপৰ বক্তব্যও অন্তঃসাৰশূন্য যেন লাগিছিল। যি কি নহওক—বিমল আৰু প্রতাপৰ মাজত কোন জিকিল কোন হাৰিল— এই বিষয়ে সঠিককৈ উপলব্ধি কৰিও যদি মোক নোকোৱা, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি জানিবা।"

বেতালৰ প্রশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "প্রকৃত বেদান্তজ্ঞানীয়ে কদাপি বাদ-বিসম্বাদত লিপ্ত নহয়, বা জ্ঞানৰ প্রদর্শনো নকৰে। গতিকে—বিমল যে প্রকৃততেই বেদান্তজ্ঞানী হৈছিল, সেই কথাত সন্দেহ নাই, যদিও প্রতাপো পেলনীয়াবিধৰ নাছিল।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত

কাম-আকাম

সৌবীৰদেশৰ মহাৰাজ সুবেশমাধৱদেৱ আছিল প্ৰকৃততেই প্ৰজাপালক ৰজা। তেওঁৰ ৰাজত্বকালত প্ৰজাবৰ্গ আছিল সুখী। তেওঁৰ সভাত, অৰ্থাৎ ৰাজসভাত কবি, বিজ্ঞানী, বৃক্ষ-বিশাৰদ, জাদুবিদ্যাবিদ, ভূত-পিশাচবিদ অৰ্থাৎ ওজা আৰু অন্যান্য নানান ধৰণৰ সভাসদ আছিল, যিসকলৰ মাজত আয়ুৰ্বেদজ্ঞ, আৰু শাস্ত্ৰজ্ঞ প্ৰমুখয়ো ৰাজসভা পোহৰাইছিল।

এদিন ৰাজসভাত এটি দীৰ্ঘ পদ্য পঠিত হ'ল। এই কবিতাটি আছিল শাস্ত্ৰজ্ঞ-সকলে সম্মিলিত ভাবে ৰচিত পদ্য। পদ্যটিত আছিল ৰজাৰ প্ৰশস্তি-কীৰ্তন। পদ্যটি পাঠ কৰাৰ অন্তত সকলো সভাসদেই হৰ্ষ-ধ্বনি কৰি উঠিল। এয়ে নিয়ম।

তেতিয়া এগৰাকী নবীন জাদুকৰে ৰজাৰ স্তুতিমূলক কবিতা ৫টি পাঠ কৰিলে, যিটো কবিতাত ৰজাক বৃহস্পতিৰ সৈতে তুলনা কৰা হৈছিল।

এইটি কবিতা শুনি মহাৰাজৰ 'মনত এক নতুন চিন্তাৰ উদয় হ'ল। তেওঁ ভাবিলে: শাস্ত্ৰজ্ঞ, জাদুকৰ আদিয়ে যদি কবিতা ৰচিব পাৰিছে, বিজ্ঞানীহঁতে কেৱল শুই বহি ৰাজসভা শুৱাব কিয়? তেওঁলোকে কিয় কবিতা নিলিখিব? তেওঁ হুকুম দিলে: বিজ্ঞানীহঁতও কবিতা ৰচক।"

মহাৰাজৰ আদেশ শুনি সভাসদবৰ্গৰ মুখৰ মাত হৰিল। মহামন্ত্ৰীয়ে কিবা ক'বলৈ তেওঁৰ মুখখন মৰিবলৈ ধৰা মাছৰ দৰে মেলিলে, কিন্তু তেওঁ একো ক'বলৈ নৌপাওঁতেই মহাৰাজ ৰাজসভা এৰি তৎক্ষণাৎ ওলাই গ'ল।

নবীন লহকৰ

মহাৰাজ ওলাই যোৱাৰ অন্তত ৰাজসভাত প্ৰায় হৈ-চৈ লাগি পৰিল বিজ্ঞানীযে গদ্য লিখিব কেনেকৈ—এই কথাত বাদানুবাদ অৱশ্যে হ'ল। কিন্তু তাৰ মাজতেই শুই-বহি মাননী-খোৱা বিজ্ঞানীহঁতে পদ্য এটি লিখা উলিয়ালে। আৰু এনেতে মহাৰাজ পুনৰ ৰাজসভাত সোমালহি।

কিছু সময় ধৰি মহাৰাজে এই অভিনৱ "বিজ্ঞান-পদ্য' শুনাৰ অন্তত আঙুলি দাঙি বিজ্ঞানী-কবিহঁতক ৰখালে আৰু সভা এৰি অন্তেষপুৰলৈ বুলি খোজ ল'লে।

আবেলিপৰতে মহাৰাজ যেতিয়া উদ্যানত ভ্ৰমি আছিল, তেতিয়া মহামন্ত্ৰীও অলপ পাছত তালৈ গ'ল। মহাৰাজে মন্ত্ৰীক সুধিলে, "মহামন্ত্ৰী, সেই পদ্য—বিজ্ঞানীয়ে ৰচা পদ্য কোনে পাইছিল? মই এটা কথা ভাবি নাপাওঁ যে—শাস্ত্ৰবিদেও যদি পদ্য ৰচিব পাৰে—বিজ্ঞানীয়ে নোৱাৰিব কিয়। ইমান নিৰস পদ্য যে কোনোবা মানুহে ৰচিব প্ৰাৰে—সেই ধাৰণা আজিৰ নাছিল।"

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ! মই তেতিয়াই এই বিষয়ে আপোনাক ক'লোহেঁতেন, কিন্তু আপুনি সভা এৰি গুলাই যোৱাত আৰু নহ'ল। কথা হ'ল—কবিতা কেৱল কবি-সকলেহে ৰচিব পাৰে, অনেকি দুজন বা পাঁচজন কবিয়ে মিলি এটি কবিতাও ৰচিব নোৱাৰিব পাৰে, কিয়নো—কবিতা হ'ল কোনোবা এজনৰ হৃদয়ৰ অভিব্যক্তি। আৰু অন্য এটি সহজ কথা হ'ল যে—একৰ কাম অন্যৰ আকাম—কামাৰৰ কাম কুমাৰে কৰিব নোৱাৰে।"

মহামন্ত্ৰীৰ যুক্তিপূৰ্ণ কথাত মহাৰাজৰ ভ্ৰম গুচিল আৰু তেওঁ তেওঁৰ ডিঙিৰ মহামূল্য হাৰ-ধাৰ মহামন্ত্ৰীলৈ উপহাৰ প্ৰদান কৰি তেওঁৰ বিজ্ঞতাৰ শলাগ ল'লে।

ইতিহাসৰ পাতৰপৰা

ৰচনা : মীৰা উগ্ৰা ✱ চিত্ৰণ : অৰিত্ৰ

১৬ শতিকাৰ প্ৰাৰম্ভণীত ইউৰোপীয় লোকসকল এগুটি-দুগুটিকৈ ভাৰতলৈ আহিবলৈ ধৰিছিল। এওঁলোকে ভাৰতত নিৰ্মাণ কৰা দুৰ্গসমূহ আছিল ঘাইকৈ এওঁলোকৰ আত্মস্বাৰ্থ ৰক্ষাৰ বাবে নিৰ্মিত।

মাদ্ৰাজত অৱস্থিত ছেইণ্ট জৰ্জ দুৰ্গ ১৬৪০—১৬৫৪ চনৰ মাজত নিৰ্মিত হৈছিল। এই দুৰ্গ বংগোপসাগৰত পৰা কুভম্ (কুউম্) নৈৰ তীৰত অৱস্থিত। এই দুৰ্গ মোগলসকলে বাৰওপতি আক্ৰমণ কৰিছিল, মাৰাঠাসকলেও বাৰে বাৰে আক্ৰমণ কৰিছিল, আৰু ১৭৫৮ চনত ফৰাছিসকলেও জঁপিয়াই পৰিছিল। ফৰাছি বাহিনীয়ে এই দুৰ্গৰ তিনিওফালে বৰতোপ স্থাপন কৰিছিল আৰু ইংৰাজ সৈন্যবাহিনীক পদাপাল দেখুৱাইছিল; কিন্তু কিছুদিনৰ পাছত বংগদেশৰপৰা সহায়-সাৰথি পোৱাতহে কথমপি ৰক্ষা পৰিব পাৰিছিল আৰু ফৰাছিসকলে ৫২টা বৰতোপ আৰু বহুতো আহত সৈন্যক এৰি তাদপৰা কেঁটীৰ মূৰ-ছিঙা লৰ ধৰিছিল। ইংৰাজে এই দুৰ্গ পুনৰ নিৰ্মাণ কৰিছিল আৰু এই নিৰ্মাণকাৰ্য্যৰ স্থপতি আছিল উলউইচ্চৰ বাৰ্থলোমিউ ৰবিন্স নামৰ এগৰাকী গণিতজ্ঞ।

প্ৰথম ৰাজনৈতিক ব্যংগ-চিত্ৰ



ফ'ৰ্ট ছেইণ্ট জৰ্জ, মাদ্ৰাজ



দহ বছৰৰ পাছত, মহীশূৰৰ হায়দৰ আলী এদিন মাদ্ৰাজৰ অভিমুখে ৰাওনা হ'ল। ১৭৬৯ চনৰ এপ্ৰিলৰ ৪ তাৰিখে উভয়পক্ষৰ মাজত সন্ধি চুক্তি স্বাক্ষৰিত হৈছিল। এই ঘটনাৰ আলমত অঁকা প্ৰথম ৰাজনৈতিক ব্যংগচিত্ৰ দুৰ্গৰ দেৱালত অঁকা হৈছিল। এই ব্যংগচিত্ৰত—হায়দৰ আলীয়ে ইংৰাজ গাভৰ্ণৰক নাকত ধৰি আঁজুৰি অনা দেখা গৈইছিল। এই ব্যংগচিত্ৰ যিকালত অঁকা হৈছিল, সেই কালত আনকি ইউৰোপতো তথা পচিমীয়া কোনো দেশতে ব্যংগচিত্ৰৰ প্ৰচলন হোৱা নাছিল।

চেইন্ট মাৰীজ চাৰ্চ হ'ল ভাৰতৰ সৰ্বপ্ৰথম অ্যাংলিকান চাৰ্চ। এই চৰ্চ ১৬৭৮ চনত নিৰ্মিত আৰু ১৭৫৮ চনত পুনৰ্নিমিত হৈছিল।

এই দুৰ্গত এতিয়া ৰাজ্যিক বিধানসভা অৱস্থিত।

১৬৪৪ চনত, গ্যাব্ৰিয়েল ৰাটন নামৰ ইস্ট ইণ্ডিয়া কম্প্যানিৰ এগৰাকী ইংৰাজ ডাক্টৰে ৰাজকুঁৱৰী জহাঁআৰাক (জাহানাৰা) চিকিৎসা কৰি সুস্থ কৰি তুলিছিল। তেতিয়া জাহাঁআৰাৰ পিতৃ শ্বাহজহাঁই (চাহজাহান) ইস্ট ইণ্ডিয়া কম্প্যানিক বংগদেশত অবাধ বাণিজ্যৰ অধিকাৰ দিছিল। তাৰ পাছত আন এগৰাকী ইংৰাজ ডাক্টৰে ৰাজপুত্ৰ সুজাৰ পৰিবাৰক চিকিৎসা কৰি ভাল কৰি তোলাত ইস্ট ইণ্ডিয়া কম্প্যানিয়ে বংগদেশৰ কলিকতাত মুক্ত-বাণিজ্যকেন্দ্ৰ স্থাপনৰ অধিকাৰ লাভ কৰিছিল। কলিকতাত ইংৰাজে ফ'ৰ্ট উইলিয়াম নামৰ দুৰ্গ ১১ বছৰত সাজি উলিয়াইছিল।

ইস্ট ইণ্ডিয়া কম্প্যানিয়ে বংগত বাণিজ্যৰ নামত প্ৰকৃতাৰ্থত শাসনকাৰ্য্য আৰম্ভ কৰাত বংগৰ নবাব চিৰাজউদ্দৌলাই কম্প্যানিৰ এই কাৰ্য্যত আপত্তি দৰ্শালে। লগতে ফোৰ্ট উইলিয়ামক বৰতোপ ইত্যাদিৰে অস্ত্ৰ-শস্ত্ৰৰে সজোৱাত, আৰু নবাবৰ প্ৰতিদ্বন্দ্বী এজনক ইংৰাজে সহায় কৰাত ১৭৫৬ চনত তেওঁ ইংৰাজৰ বিৰুদ্ধে অভিযান কৰি সসৈন্যে মুৰ্শিদাবাদৰপৰা কলিকতা অভিমুখে যাত্ৰা কৰিলে।

ফোৰ্ট উইলিয়াম দুৰ্গ, কলিকতা।

ছিৰাজদ্দৌলা

ইষ্ট ইণ্ডিয়া কম্পানিৰ গাভৰ্ণৰ আৰু আন কিছুমান উচ্চপদস্থ কম্প্যানি বিষয়াই ছিৰাজৰ আগমন-বাৰ্তা পাই এখন জাহাজত আশ্ৰয় ল'লে। নিৰাপত্তাবিহীন ফোৰ্ট উলিয়াম দুৰ্গ ১৭৫৬ চনৰ ২০ জুনৰ দিনা ছিৰাজে অধিকাৰ কৰিলে। সৰ্বমুঠ ১৪৬ জন ইংৰাজ নৰ-নাৰীক বন্দী কৰা হ'ল আৰু এওঁলোকক এটি ক্ষুদ্ৰ কক্ষত আটক কৰি থোৱা হ'ল। পাছদিনা, ৰাতিপুৱা, মাত্ৰ ২৩ জনক জীৱিত অৱস্থাত পোৱা গৈছিল বুলি কোৱা হয়। নবাবৰ এই কাৰ্য্য ঘৰ-বাহিৰে নিন্দিত হৈছিল; কিন্তু আধুনিক ঐতিহাসিকবৃন্দই এই কাৰ্য্যৰ বাবে নবাব ছিৰাজক দায়ী কৰা নাই। আনকি—সেই ক্ষুদ্ৰ কক্ষটোত ইমান মানুহ বাস্তৱিকতে ভৰাই থোৱাৰ কাহিনীও কিছুমান ঐতিহাসিকে বিশ্বাস কৰিব পৰা নাই।

এবছৰৰ পাছত, পলাশীৰ যুদ্ধই ইষ্ট ইণ্ডিয়া কম্প্যানিৰ সৌভাগ্যৰ

সূচনা কৰিলে আৰু ১৭৬৫ চনৰ ১৭ অগাষ্টৰ দিনা মোগল সম্ৰাট শ্বাহ আলমে ইষ্ট ইণ্ডিয়া কম্প্যানিয়ে বংগ, বিহাৰ আৰু ওড়িশাৰ-পৰা কৰ-কাটল আদায় কৰিব পাৰিব বুলি ফাৰমান (আদেশনামা) জাৰী কৰিলে।

পাছত লৰ্ড ক্লাইভে গৰ্বৰে কৈছিল যে, আনকি সমগ্ৰ হিন্দুস্থানে অভিযান চলালেও ফোৰ্ট উইলিয়াম দুৰ্গ জয় কৰিব নোৱাৰিব কলিকাতাস্থ এই দুৰ্গ এতিয়া ভাৰতীয় সৈন্যবাহিনীৰ অধিকাৰত।

ৰবাৰ্ট ক্লাইভ

১১৯৮ চনত মালদহৰ ওচৰত গৌড়ৰ দুৰ্গ নিৰ্মিত হৈছিল। গংগা আৰু মহানন্দাৰ সংগমস্থলত এই দুৰ্গ অৱস্থিত। পূৰ্বভাৰতত অন্যান্য বহুতো দুৰ্গও পৰিলক্ষিত হয়। যেনে—শিশুপালগড়, বৰাবাটী, নওগাঁ, বড়া, শ্যামনগৰ, সাৰংগগড় ইত্যাদি। একেদৰেই বাদামী, ভিঞ্জিগুল, তিৰুচিৰাপল্লী আৰু তেল্লিচেৰি ইত্যাদি দক্ষিণাঞ্চলত ; পশ্চিমাঞ্চলত—দাভোই, ছুৰত আৰু চম্পানেৰ ; উত্তৰাঞ্চলত—নভা, হৰিপৰ্বত, কোট কাংড়া ইত্যাদি, আৰু মধ্য ভাৰতৰ—ঝাঁচি, চান্দেৰি, বুৰহানপুৰ ইত্যাদি দুৰ্গও কাহিনী-সমৃদ্ধ দুৰ্গ।

১। কালিবাথান
২। দিল্লী
৩। অম্বৰ
৪। ভৰতপুৰ
৫। আগ্ৰা
৬। গোৱালিয়ৰ
৭। ৰণথম্ভোৰ
৮। চিত্তোৰ
৯। কুম্ভলগড়
১০। যোধপুৰ
১১। জয়শলমীঢ়
১২। বিকানেৰ
১৩। মাণ্ডু
১৪। দওলতাবাদ
১৫। আহমদনগৰ
১৬। শিৱনেৰ
১৭। সিংগড়
১৮। ৰায়গড়
১৯। জঞ্জিৰা
২০। শুভম দুৰ্গ
২১। ৰাজগড়
২২। বিদৰ
২৩। গুলবৰ্গা
২৪। বিজাপুৰ
২৫। গোলকুণ্ডা
২৬। ওৱাৰাংগল
২৭। শ্ৰীৰংগপতনম্
২৮। জিঞ্জি
২৯। ভেলোৰ
৩০। মাদ্ৰাজ
৩১। ফোৰ্ট উইলিয়াম
৩২। ৰোহটাছগড়
৩৩। ইলাহাবাদ
৩৪। চুনাৰগড়
৩৫। কালিঞ্জাৰ

ভাৰতৰ
প্ৰধান প্ৰধান দুৰ্গ

ভাৰতত ১৪০০-তকৈও অধিক সংখ্যক দুৰ্গ আছে। এইবিলাকৰ মাজত—৬৫৬টি মহাৰাষ্ট্ৰত, ৩৩০টি মধ্যপ্ৰদেশত আৰু ২৫০টি দুৰ্গ ৰাজস্থানত অৱস্থিত। অধিকভাগ দুৰ্গৰ অৱস্থা জৰাজীৰ্ণ—জহি-খহি পৰাবিধৰ। অধিকভাগ দুৰ্গৰ দেৱালবোৰ বিভিন্ন চিত্ৰাংকণেৰে বিনষ্ট, মূৰ্তিবোৰ আৰু বহুমূল্য পাথৰবোৰ অপহৃত, পথ আৰু খটখটিবোৰ ভগা, মেৰামতিৰো অযোগ্য। ইতিহাসৰ স্মৃতিচিনৰূপী সাক্ষ্যসমূহ আমি অৱশ্যেই সংৰক্ষণ কৰা উচিত।

 © Amrita Bharati, Bharatiya Vidya Bhavan 1995

মূল চৰিত্ৰ

অতুল কেৱল মিছাৰ ভঁৰালেই নাছিল, সি কথাইপাতি ঢেৰ শপতও খাইছিল। কোনেও তাৰ কথা যেতিয়া আৰু বিশ্বাস নকৰা হ'ল, তেতিয়া অতুলে এইদৰে শপত খোৱাত ধৰিছিল। শপতৰ যে অতি অনিষ্টকৰ ক্ষমতা আছে এই অঞ্চলৰ ৰাইজে, আনকি ৰজায়ো জানিছিল আৰু কথাটো মানিছিল।

এদিন কথাই কথাই এগৰাকী আইতাকক অতুলে কৈছিল, "তোমাৰ শপত, আইতা, মই একদম সঁচা কথা কৈছোঁ। চাবা—।"

বছ, সেইদিনাই গধূলিপৰতে আইতাকৰ জ্বৰ উঠিল। আইতাকে ভোৰা-ভোৰাই থাকিল: "অতুল কটাটোৱে মোৰ নাম লৈ শপত খালে বুলিহে মই এনেকৈ পাটী ল'বলগা হ'লোঁ।"

পাছদিনা, আইতাকৰ ডাক্তৰ ল'ৰাটো অতুলৰ ওচৰলৈ গ'ল, কিন্তু অতুল তেতিয়া ঘৰত নাছিল। অতুলহঁতৰ ঘৰৰ অলপমান আঁতৰত এঠাইত অতুলৰ বাট চাই তিনিজন বহি আছিল।

এই তিনিজনৰ মাজত এজনৰ নাম আছিল সোমনাথ। সোমনাথ আছিল এইখন গাঁৱৰে ল'ৰা।

এদিন সোমনাথে অতুলৰ সৈতে—বগা কাউৰী আছেনে নাই এই কথাত বাজি মাৰিছিল। সোমনাথে কৈছিল তে বগা কাউৰী আছে যদি—দেখামাত্ৰে খপকৰে ধৰিম। এই কথাতে বাজি: অতুলে যদি বগা কাউৰী ধৰিব পাৰে, সোমনাথে এশ টকা দিব, আৰু সোমনাথে যদি ধৰিব

পবিত্ৰ বুঢ়াগোহাঞি



মোক টকা এশ দিয়া, পাছত তোমালোকৰ গাঁৱৰ কথা শুনাই থাকিবা।"

অতুলে সোমনাথক ইতিকিং কৰি ক'লে, "য'ত বগা কাউৰী হাজাৰ-বিজাৰ, তাত বগা কাউৰী ধৰাৰ ওপৰত বাজি—? কি অলৌভলৌ কোৱাহে ?"

সোমনাথে ক'লে, এতিয়া বাজি হাৰি "তুমি মিছা কথা কৈছা।"

"তোমাৰে শপত, সঁচে-কাটে সঁচা।" অতুলে শপত কাঢ়িলে। সোমনাথে অতুলক আন একো কৰিব নোৱাৰি তাক গালি পাৰি পাৰি তাৰপৰা গুচি গ'ল।

কিন্তু বাটত সোমনাথ বিপদত পৰিল। বাটছোৱা আছিল বোকাৰে ভৰা। কোনোবা দুষ্ট ল'ৰাই বোকাৰ ভিতৰত গাঁত খান্দি থৈছিল লোকৰ বিলৈ চাই মজা পাবলৈ। বাহিৰৰপৰা একো বুজি নোপোৱা সেই গাঁতত সোমনাথ কঁকলৈকে সোমাই পৰিল আৰু আন কিছুমান বাটকৰাই তাক কথমপি গাঁতৰপৰা উঠাই আনিলে।

সোমনাথৰো ধাৰণা হ'ল—তাৰ নাম লৈ অতুলে শপত কঢ়াতহে তাৰ এই অৱস্থা হ'বলৈ পালে। সি তৎক্ষণাৎ অতুলৰ ওচৰলৈ গ'ল আৰু তাৰপৰা শপতৰ বাবে টানি কৈফিয়ৎ বিচাৰিলে।

পাৰে অতুলে সোমনাথক এশ টকা দিব। যিজনে প্ৰথমতে ধৰিব, সেইজনেই বাজিৰ টকা এশ পাব।

দুই দিনৰ পাছত, সোমনাথহঁতৰ ঘৰৰ পিছফালে, এজোপা গছত এটা বগা কাউৰীৰ পোৱালি দেখা গ'ল। এই পোৱালিটিক ধৰি লৈ সোমনাথ অতুলৰ ওচৰলৈ আছিল।

অতুলে সে সেকৈ হাঁহিলে আৰু ক'লে, "তুমি দেখুউৱাৰ আগতেও মই ঢেৰ বগা কাউৰী দেখা পাইছিলোঁ, আমাৰ গাঁৱৰ প্ৰায়ভাগ কাউৰীয়েই বগা।"

সোমনাথে অতুলক ক'লে, "প্ৰথমতে

তাত তেতিয়া কিৰণ নামৰ যুৱক এজনো বহি আছিল। কিৰণে স্নেহাক বিয়া কৰাব বুলি খাটাং কৰিছিল। কথাটো কথাই কথাই অতুলক কোৱাত অতুলে কিৰণক ক'লে, "বুজিলোঁ তোৰ পেৰেমত পৰি মৰা অৱস্থাৰ কথা। তেও বুলিসেই ফেঁচানাকীক বিয়া—?"

তাৰ পাছত অতুল গ'ল স্নেহাৰ ওচৰলৈ। অতুলে স্নেহাক ক'লেগৈ, "কিৰণে তোমাক ফেঁচা-নকী বুলি কয়। আৰু কয়—যাৰে-তাৰে আগত। অথচ সি বোলে তোমাক বিয়া কৰাব! যি কিনহওক' মই তোমাক কথাটে ক'লোঁ বুলি তাক নোকোৱা যেন।"

স্নেহাই অপমান পাই কিৰণৰ সৈতে আৰু মাত-বোলকে নকৰা হ'ল।

তেতিয়া স্নেহাৰ দেউতাকে অতুলক মতাই অনাই ক'লে, "তুমি আমাৰ স্নেহাজনীৰ মনত বিহ ঢালিলা। কোৱা, কিয় এই কাম কৰিলা।"

অতুলে কৈ উঠিল, "আপোনাৰা শপত, মই এইবোৰ কথাৰ বিন্দু-বিসৰ্গও নাজানো। মই তো তাইৰ লগত আনকি এবাৰ কথাও পতা নাই বহুদিন ধৰি।"

তাৰ তৃতীয় ব্যক্তি বৈ আছিল—গণপতি। গণপতিৰ আছিল বিৰাট এডৰা আমনি। অতুলে গণপতিক ক'লে সি তাৰ আমনিৰপৰা আম চুৰি হোৱা দেখিলে, আনকি চোৰটোকো সি চিনি পায়, চোৰটোৰ নাম হ'ল দীপক।

দীপক যদিও দুখীয়া হালোৱা মাথোন, তথাপি অত্যন্ত সৎ মানুহ। কিন্তু গণপতিয়ে মাৰ-পিট কৰি আমকেইটা লৈ গুচি গ'ল।

তাৰ পাছত—আমনিৰ ৰখীয়া ভূষণে দীপকৰ ওচৰলৈ আহিল আৰু ক'লে, "মালিকে কোৱাতেই মই বাগানৰপৰা কেইটামান আম বুটলিছিলোঁ। ঠিক তেতিয়াই এজন আত্মীয়ৰ টান বেমাৰৰ

খবৰ পোৱাত তেওঁক চাবলৈ গ'লোঁ, আৰু অতুলৰ পৰামৰ্শমতে আমকেইটা তোমাৰ ঘৰলৈ থৈ গৈছিলোঁ। তাৰ ফলত—কি যে দুখলগা কাণ্ড হ'ল!"

দীপক আৰু ভূষণ গণপতিৰ ওচৰলৈ গ'ল। গণপতিয়ে অতুলক মতাই অনালে। অতুলে গণপতিক ক'লে "নিশ্চয় দীপকৰ সৈতে তোমাৰ কিবা শত্ৰুতালি আছে। নহ'লে তাক মাৰ-পিট কৰাৰ কোনো কাৰণ নেদেখিছোঁ। দীপক চোৰ বুলি মই তোমাক কোৱা নাছিলোঁ। তোমাৰে শপত — মই সেই দীপকক তেনেকুৱা কথা কোৱা নাছিলোঁ।"

আৰু সেই দিনাই নৈত গা ধুৱলৈ গৈ গণপতি নৈৰ সোঁতত উটি যোৱাৰ উপক্ৰম। আন কেইজনমানে গণপতিক কথমপিহে ৰক্ষা কৰিলে।

তাৰ পাছত ৰমনক লগত লৈ গণপতি গাঁওবুঢ়াৰ ওচৰলৈ গ'ল আৰু গাঁবুঢ়াই —সুবিচাৰ পাবলৈ হ'লে ৰজাৰ ওচৰলৈ যাবলৈ গণপতিক পৰামৰ্থ দিলে। অতুলৰ শপত কঢ়াৰ ফলত বিসকলৰ বিপদ হৈছিল —সিইতৰ মাজৰপৰাও তিনিজন ৰজাৰ ওচৰলৈ গ'ল।

গণপতিৰপৰা অভিযোগ পাই মহাৰাজে প্ৰহৰী পঠাই অতুলক অনালে আৰু সুধিলে যে এই অভিযোগৰ বিষয়ে তাৰ কি ক'ব লগা আছে কওক সি।

অতুলে ক'লে, "এইবোৰে মোৰ লগত শত্ৰুতাহে সাধিছে। সিহঁতে আপোনাক যিবোৰ কথা কৈছে, আটাইবোৰ ধুমুৰ বিছা! আপোনাৰে শপত, মহাৰাজ!"

বছ, প্ৰায় লগে লগে মহাৰাজৰ পেটৰ বিষ উঠিল আৰু মহাৰাজে ক'লে, "ই অতি দুৰ্মুখ, আৰু—হত্যাকাৰী। ইয়াক তুৰন্তে ফাঁচি দিব লাগে।"

মহামন্ত্ৰীয়ে কৈ উঠিল, "মহাৰাজ, ই যে—সঁচাসঁচিকৈ দুৰ্মুখ, সেই কথাত মই আপোনাৰ সৈতে একমত। কিন্তু—"

মহামন্ত্ৰীয়ে মহাৰাজক একাষৰীয়াকৈ মাতি নি গুন-গুনকৈ ক'লে, "মহাৰাজ, আপোনাৰ ৰাজনীতিৰ বিষয়ে হস্তক্ষেপৰ যোগ্যতা বা' ইচ্ছা মোৰ নাই। কিন্তু— আমাৰ চুবুৰীয়া ৰাজ্যৰ ৰজাই যে আমাক আক্ৰমণ কৰিবই, আপুনি নজনা নহয়। আক্ৰমণ কৰিলে আমিয়েই জিকিম, পিছে —নহ'বও তো পাৰে। গতিকে—এই ছুৰ্মুখ অতুলক আমি আমাৰ চুবুৰীয়া ৰজা —সেনাপতি আৰু তাৰ উচ্চপদস্থ বিষয়া-ইঁতক ছুৰ্যোৰ বিপদত পেলোৱাৰ কামত লগাব পাৰোঁ দেখোন। পাৰিলে সি অতুলে চুবুৰীয়া ৰজাৰ নামতো শপত কাঢ়িব আৰু তেতিয়া আমাৰ কিমান সুবিধা হ'ব ভাবি চাওক। তাক ফাঁচি দিয়াটো সন্থহতে ঠিক হ'বনে?"

মহাৰাজে মহামন্ত্ৰীৰ বঢ়া— কথাত বেয়া পাই ক'লে, "তনেহ'লে—এতিয়া দেখিছো মন্ত্ৰ-তন্ত্ৰ, -- শপত আদি কুসংস্কাৰাছন্ন অন্ধ বিশ্বাসেৰেহে ৰাজ্যশাসন চলাব লাগিব। তেনেহ'লে—ইমান ডাঙৰ সৈন্যবাহিনী, ইমান অস্ত্ৰ-শস্ত্ৰ, বল-পৰা ক্ৰমৰ কি প্ৰয়োজন?"

মহামন্ত্ৰীয়ে মিঠাকৈ হাঁহিৰে ক'লে, "মহাৰাজ, যিবোৰক আপুনি নিজেই কুসংস্কাৰাচ্ছন্ন অন্ধবিশ্বাস বুলি কৈছে, সেই অন্ধবিশ্বাসেৰেই আপুনিও অতুলক ফাঁচিৰ আদেশ দিয়া নাইনে?"

মহামন্ত্ৰীৰ কথাত মহাৰাজৰ জ্ঞানোদয় হ'ল আৰু তেওঁ নিজৰ বহুমূল্য কণ্ঠহাৰ মহামন্ত্ৰীৰ ডিঙিত পিন্ধাই দিলে আৰু ক'লে, "মই যে কেনেকৈ অন্ধবিশ্বাসৰ সৈতে এনেকৈ সাঙোৰ খাই পৰিলোঁ— এতিয়া আৰু ভাবি উলিয়াব পৰা নাই।"

মহামন্ত্ৰীয়ে মহাৰাজক ক'লে "মহাৰাজ, কেৱল আপোনাৰ নহয়, পৃথিৱীৰ এমুঠিমান প্ৰকৃত যুক্তিবাদীৰ কথা বাদ দিলে—মানৱৰ মূল চৰিত্ৰ এনেকুৱাই।"

অনুভৱৰ দাম

চহৰৰ আলিবাটতে মুকুন্দ আৰু গোবিন্দই ভাগীদাৰীতে জোতাৰ দোকান পাতিলে। দোকানৰ শুভাৰম্ভৰ আগৰ দিনা মুকুন্দই গোবিন্দক ক'লে, "আমাৰ দোকানত কমেও এজন ল'ৰা ৰাখিব লাগিবই। মই কৃষ্ণ নামৰ ল'ৰা এজনক আমাৰ দোকানত কাম কৰাৰ কথা কৈছোঁ. আৰু সি কাইলৈ পুৱাৰ ফালে আহিব। তাক মাহেকত দুশ টকা দিম বুলি কৈছোঁ মই।"

"হয়নে—?" গোবিন্দই ক'লে, "আমি দুজনেই একেটা কামকে কৰিলোঁ তেন্তে। ময়ো ৰূপম নামৰ ল'ৰা এজনক ঠিক কৰিলোঁ, সিও কালিলৈ আহিব। তাক মই তিনিশকৈ দিম বুলি কথা দিছোঁ। গোবিন্দই ক্ষন্তেকমান বৈ পুনৰ ক'লে, "ৰূপম অতি অনুভৱী ল'ৰা. খুব বুদ্ধিমান। বুদ্ধিমান তথা অনুভৱী নহ'লে গ্ৰাহকৰ মন বুজি ধন লোৱাটো টান। কোন প্ৰকৃত গ্ৰাহক আৰু আৰু কেনো কেৱল দৰ্শক—তাৰ প্ৰভেদ-পাৰ্থক্য ধৰিব পৰা হ'ব লাগিব, তেহে হ'ব বেচোঁতা। ৰূপমক ৰাখিলে লাভ আছে।"

মুকুন্দই ক'লে. "আমি আলোচনা নকৰাতহে এনে বিপত্তি হ'ল। যি কি নহওক — দুয়োজনেই তেন্তে আহক. এমাহমান দুয়োৰো কাম-বন দেখা যাওক, তাৰ পাছত এজনক বিদায় দিয়া হ'ব। যদিও এই কামত বৰ বেছি বুদ্ধিমত্তাৰ অনুভৱ শক্তিৰ আৱশ্যক বা আছে বুলি মই কিন্তু নাভাবোঁ।"

গোবিন্দই মুকুন্দৰ প্ৰস্তাৱত হয় কৰিলে, হৈ গ'ল। আৰু পাছ দিনা কৃষ্ণ

তোফাজ্জেল আলী

আৰু ৰূপম—দুয়োজনেই জোতাৰ দোকানৰ কামত লাগিলহি

সাতদিনমানৰ পাছত এজন ধনী মানুহ দোকানলৈ আহিল এযোৰ জোতা কিনিবলৈ। তেওঁ কিছু দামী জোতা এযোৰ ল'লে, আঠৈশ টকা দামৰ জোতা। তেওঁ যেতিয়া জেপৰপৰা টকা উলিয়ালে, তেতিয়া চল্লিছ টকা কম পাৰিল।

ধনী মানুহজনে মুকুন্দক ক'লে, "মোৰ ওচৰত—আঠৈশ নাই, চল্লিছ টকা কম পৰিব। পিছে—জোতযোৰ সোঁতাত মোৰ ঘোঁৰা-গাড়ীত থৈ আহিবলৈ কওক, মই ঘৰ পায়েই বাকী টকাখিনি চাকৰৰ হতুৱা পঠাই দিম।"

মুকুন্দ বিমোৰত পৰা যেন হ'ল। কি কৰা উচিত—স্থিৰ কৰিব নোৱাৰিলে। এই ধনী মানুহজনক মুকুন্দই চিনি নাপায়। গতিকে—টকাখিনি পঠাবনে নপঠাব—কোৱা টান। আকৌ—নহ'ব-নিদিওঁ বুলিও কোৱা টান।

তেতিয়া ৰূপমে ধনী মানুহজনক ক'লে, "আপুনি গাড়ীত বহকগৈ, মামি জোতাযোৰ গাড়ীত পোঁছাই দিম।"

ৰূপমে নিজেই জোতাযোৰ গাড়ীত থৈ আহিলগৈ।

তেতিয়া মুকুন্দই ৰূপমক সুধিলে. "তেওঁ কোন? তুমি তেওঁক নিশ্চয় চিনি পোৱা—? কিন্তু মোক নোসোধাকৈয়েই তুমি জোতাযোৰ দি থৈ আহিলা যে—?"

তেওঁক আপুনিও যিমানখিনি চিনি ময়ো সিমানখিনিয়েই চিনি পায়—পাওঁ।" ৰূপমে ক'লে. "পিছে—"

ৰূপম বৈ গ'ল। মুকুন্দই খঙাল মাতেৰে ক'লে, "পিছে—কি? তেওঁক যদি মোৰ দৰেই চিনি নোপোৱা, কেনেকৈনো জোতাযোৰ দিলা পূৰা পইচা নোপোৱাকৈ? তেওঁ যদি পইচাখিনি নপঠায়--নদিয়ে যদি —তোমাৰ দৰমহাৰপৰা কাটিম কিন্তু।"

তেতিয়া গোবিন্দ দোকানত নাছিল,

কিন্তু ঠিক তেতিয়াই আহি পাইছিলহি। মুকুন্দৰ কথাৰপৰা গোবিন্দই ঘটনা কি— বুজি পালে। গোবিন্দয়ো ৰূপমক ক'লে, "নজনা-নিচিনা মানুহক তুমি যে চল্লিছ টকা কম লৈ জোতাযোৰ দিলা—টকাখিনি যদি পোৱা নাযায়—তেতিয়া কি হ'ব। এই কামৰ আঁৰত তোমাৰ কি স্বাৰ্থ? কি উদ্দেশ্য।"

ৰূপমে নম্ৰতাৰে ক'লে, "তেওঁৰপৰা আমি চল্লিছ টকা পাবলগীয়া আছে। কিন্তু তেওঁৰ জোতাযোৰেই হ'ল সেই টকাৰ জামিন। মই যিযোৰ জোতা তেওঁক দিলোঁ, সেইযোৰ জোতা তুখন ভৰিৰ তুপাট নহয়, এখন ভৰিৰ তুপাট। গতিকে—তেওঁ নিজেই আহক বা চাকৰক পঠাওক, জোতাযোৰ লৈ আহিবই লাগিব, আৰু টকাও দিব লাগিব।"

ৰূপমে যেনেকৈ কৈছিল, ঘটনা ঠিক তেনেকুৱাই ঘটিল। গধূলিৰ আগে আগে ধনী মানুহজনে জোতাযোৰ লৈ দোকানলৈ আহিল আৰু কিঞ্চিত বিৰক্তিৰে গোবিন্দক ক'লে, "আপোনালোকৰ দোকানৰ কৰ্মচাৰীবোৰ একেবাৰে নশিকাৰুনে কি? এযোৰ জোতাও ঠিকমতে দিব নোৱাৰে যে—চেঃ!"

মুকুন্দই ধনী মানুহজনৰ আগত হাত যোৰ কৰি ক'লে, "ক্ষমা কৰিব, ভুল হৈ গ'ল।" তাৰ পাছত ৰূপমক ক'লে, "হাৰে ৰূপম—এইখন কিন্তু ফলৰ দোকান নহয়, জোতাৰ— সেই কথাটো মন কৰিবি। নহ'লে আগলৈ তোৰ কপালতো জোতা।

ধনী গ্ৰাহকজনেই হাত দাঙি মুকুন্দক ৰখালে, আৰু টকাখিনি দি, জোতা এপাট সলাই লৈ গাড়ীখন পুনৰ চলাই দিলে।"

তেতিয়া মুকুন্দই গোবিন্দক ক'লে, "এতিয়াহে মই বুজি পালোঁ যে—দোকানদাৰীতো প্ৰকৃত বুদ্ধিমানী তথা পৰ্য্যাপ্ত অনুভৱ-শক্তিৰ গুৰুত্ব কিমান।"

মহাভাৰত

১৬

পাণ্ডৱসকলে বিশ্বকৰ্মা-নিৰ্মিত ইন্দ্ৰপ্ৰস্থ নগৰক ৰাজধানী ৰূপে লৈ তাৰপৰা তেওঁলোকৰ অৰ্ধৰাজ্য শাসন তথা পালন কৰি থাকিল।

এদিন নাৰদ তাত উপস্থিত হ'লহি। ধৰ্মৰাজ যুধিষ্ঠিৰ আৰু অন্যান্য পাণ্ডৱসকলেও নাৰদলৈ আন্তৰিক অভ্যৰ্থনা জ্ঞাপন কৰিলে আৰু বিনয়পূৰ্বক নাৰদক প্ৰণাম কৰিলে। নাৰদমুনিয়ে সকলোকে আশীৰ্বাদ কৰিলে।

তাৰ পাছত নাৰদমুনিয়ে যুধিষ্ঠিৰক ক'লে "দ্ৰৌপদী হ'ল তোমালোকৰ—পঞ্চপাণ্ডৱৰ একমাত্ৰ ধৰ্মপত্নী। গতিকে—তোমালোকৰ মাজত যাতে কলহ-বিবাদ নহয়, তালৈ সদায় লক্ষ ৰাখিবা, আৰু—এই বাবে কিছু নিয়ম-নীতি পালন কৰিবা। তেতিয়া তোমালোকৰ মাজত সৌহাৰ্দ্য তথা একতাও বৃদ্ধি হ'ব আৰু সুন্দ-উপসুন্দ-বিষয়ক ঘটনাৰ সৃষ্টি নহ'ব।" এই বুলি কৈ, নাৰদমুনিয়ে সুন্দ-উপসুন্দৰ আখ্যান চমুকৈ বিবৰিবলৈ ধৰিলে:

"হিৰণ্যকশিপুৰ বংশত ৰাক্ষস নিকুম্ভৰ জন্মলাভ কৰিছিল, সুন্দ আৰু উপসুন্দ আছিল সেই নিস্তৰ পুত্ৰ। সুন্দকু আৰু উপসুন্দৰ মাজত থকা মিলাপ্ৰীতিৰ কোনো তুলনা নাই, যাক বোলে—হৰিহৰআত্মা। সুন্দ-উপসুন্দই যি কৰে—একেলগে কৰে, যি খায়—একেলগে খায়

'অৰ্জুনৰ তীৰ্থযাত্ৰা'

—য'লৈকে যায়—একেলগে যায়, যি চিন্তে—একেলগে চিন্তে। এদিন দুয়ো চিন্তিলে যে—যেনেকৈয়েই নহওক ত্রিলোক বিজয় কৰিব লাগিব। এই উদ্দেশ্য মনত লৈ দুয়ো তপস্যা কৰিবলৈ অৰণ্যলৈ গ'ল আৰু ঘোৰ তপস্যাত মগ্ন হ'ল। এওঁলোকৰ কঠোৰ তপস্যাৰ ফলত দেৱতাসকল, বিশেষকৈ দেৱৰাজ ইন্দ্ৰ বিচলিত হৈ উঠিল, আৰু সুন্দ-উপসুন্দৰ কঠোৰ তপস্যা যেনেতেনে ভংগ কৰিবলৈ নানান ভাবে চেষ্টা কৰি থাকিল; কিন্তু তেওঁলোকৰ এই প্ৰচেষ্টা ব্যৰ্থ হ'ল। তেতিয়া এদিন ব্ৰহ্মাই সুন্দ-উপসুন্দক বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লে। সুন্দ-উপসুন্দই ব্ৰহ্মাৰপৰা অমৰ হোৱাৰ বৰ প্ৰাৰ্থনা কৰাত ব্ৰহ্মা অসন্মত হ'ল, কিন্তু সুন্দ-উপসুন্দক আন কোনো মানুহে মাৰি পেলাব নোৱাৰিব বুলি বৰ প্ৰদান কৰিলে। তেতিয়া সুন্দ-উপসুন্দই ভাবিলে যে এই বৰ একপ্ৰকাৰে—অমৰ হোৱাৰ বৰেই হ'লগৈ। কিয়নো—সিহঁতৰ নিজৰ মনত কোনো কলহ-বিবাদ হোৱাৰ বা যুদ্ধ হোৱাৰ ক্ষীণতম সম্ভাৱনাও নাই।

সুন্দ-উপসুন্দই ত্ৰিলোক জয় কৰিলে। দেৱলোক, পাতাল-লোক আদিত বিজয়-পতাক উৰুৱাৰ আছত এওঁলোক মৰ্ত্য-লোকত অত্যাচাৰৰ ৰঙা-ধোঁৱা মেলি দিলে। তেতিয়া ব্ৰহ্মাই বিশ্বকৰ্মাক এজনী

অপূৰ্ব ৰূপৱতীক সৃষ্টি কৰিবলৈ আদেশ দিলে আৰু সেই অপূৰ্ব সুন্দৰীক সুন্দ-উপসুন্দৰ ওচৰলৈ পঠোৱাৰ দিহা দিলে। সেই অপৰূপা সুন্দৰীয়ে নৈৰ পাৰত থকা বনফুল বুটলি থাকোঁতে সুন্দ-উপসুন্দই দেখা পালে আৰু দুয়ো একেলগেই ভাবিলে : এই সুন্দৰীক যদি জীৱনত পত্নী ৰূপে নাপাওঁ, এই জীৱন মিছা। সুন্দ-উপসুন্দ সেই ৰূপৱতীক সুধিলেগৈ যে সুন্দ আৰু উপসুন্দৰ মাজত কাক বিয়া কৰাব। ৰূপৱতীয়ে ক'লে যে—তোমালোকৰ মাজত যিজন অধিক বলশালী—তাকেই পতিৰূপে বৰিম। এই কাথাত সুন্দ-উপসুন্দৰ মাজত তয়া-ময়া লাগিল, ফলস্বৰূপে দুয়ো নিহত হ'ল।"

এই কথাত পাণ্ডৱসকল বিতুষ্ট নহ'ল, তুষ্টহে হ'ল ; আৰু নাৰদৰ কথামতে সেই বিষয়ে কিছু কিছু নীতি-নিয়ম স্থিৰ কৰা হ'ল। যেন—দ্ৰৌপদী এবছৰলৈ এজন পাণ্ডৱৰ সৈতে থাকিব, যিজনৰ ঘৰত যিবছৰলৈ থাকিব, আন কোনো এজনেও আনকি ভুলে-পাহৰণেও যদি যায় তালৈ—তেনেহ'লে তেওঁ এবছৰলৈ বনবাস, ব্ৰহ্মচৰ্য্য পালন কৰাৰ উপৰিও তীৰ্থ পৰিক্ৰমা কৰিব লাগিব।

কিছুদিনৰ অন্তত এদিন এজন ব্ৰাহ্মণ

ধৰ্মৰাজৰ প্ৰাসাদৰ সমুখত বৈ কান্দি আছিল। তেতিয়া দূৰৰপৰা অৰ্জুনে এই দৃশ্য দেখা পাই ব্ৰাহ্মণৰ ওচৰ চাপিল আৰু সুধিলে, "আপুনি ক্ৰন্দন কৰিছে কিয় ?"

"পুত্ৰ, মোৰ গাভীজনীক কোনোবা চোৰে চুৰি কৰি লৈ গ'ল, আৰু তাৰ কাৰণে মোৰ ধৰ্মকাৰ্য্যাদিও বন্ধ হ'ল, কৃপা কৰি মোৰ গাইজনীক যদি ঘূৰাই আনি দিয়া—মই কৃতাৰ্থ হ'ম।" ব্ৰাহ্মণে ক'লে।

"আপোনাৰ গাভীজনীক ঘূৰাই অনা হ'ব। কিন্তু—সেই গাভীচোৰ কোন দিশেদি গ'ল—কওক আৰু আপুনি মোৰ সৈতে আহক।"

এই বুলি কৈ, ধনুৰ্বাণ আনিবলৈ অৰ্জুন ধৰ্মৰাজৰ প্ৰাসাদলৈ বুলি খোজ ল'লে কিন্তু তৎক্ষণাৎ তেওঁ ৰৈ দিলে, কিয়নো তেওঁৰ মনত পৰিল নিয়ম-নীতিৰ কথা, আৰু দ্ৰৌপদী যে সম্প্ৰতি জ্যেষ্ঠ যুধিষ্ঠিৰ ধৰ্মৰাজৰ গৃহত—সেই কথা।

এই পৰিস্থিতিত অৰ্জুনে ভাবিলে: ধনুৰ্বাণ আনিবলৈ যদি অগ্ৰজৰ গৃহৰ অভ্যন্তৰলৈ সোমাওঁ, তেনেহ'লে নীতি-নিয়ম লংঘন কৰা হ'ব ; আৰু যদি ধনুৰ্বাণ নানো, তেনেহ'লে কাৰ্য্যভংগ তথা ব্ৰাহ্মণক প্ৰদত্ত প্ৰতিশ্ৰুতি ভংগ হ'ব।

অৰ্জুনে ব্ৰাহ্মণক প্ৰদত্ত প্ৰতিশ্ৰুতিৰ কথা ভাবি নিয়ম-নীতি ভংগ কৰিলে আৰু ধনুৰ্বাণ লৈ আহি ব্ৰাহ্মণৰ গাভীজনী ব্ৰাহ্মণক আনি দিলে।

ধৰ্মৰাজে অৰ্জুনক বাধা দিলে বনবাসী হৈ ব্ৰহ্মচৰ্য্য পালিবলৈ। কিন্তু অৰ্জুনে ক'লে, "নিয়ম-নীতিক উলংঘা কৰি মই আপোনালোকৰ অন্তেষপুৰত সোমাইছিলোঁহি, গতিকে—মই বনবাস আৰু তীৰ্থ-পৰিক্ৰমা নিশ্চয় কৰিম।"

ধৰ্মৰাজে ক'লে, "অৰ্জুন, জ্যেষ্ঠৰ গৃহলৈ কনিষ্ঠই প্ৰবেশ কৰাত কোনো দোষ নাই, আৰু—তুমি নিজ ইচ্ছাৰে নহয়, সেই ব্ৰাহ্মণক প্ৰদত্ত প্ৰতিশ্ৰুতিৰ বাবেহে নিয়ম-নীতি ভংগ কৰিলা।"

অৰ্জুনে ক'লে, "আন কোনোবাই ভুল কৰে যদি, আমি দণ্ড দিওঁ। গতিকে—আমাৰ নিজৰ অন্যায়ৰ বাবে যদি নিজক নিজে দণ্ডিত নকৰোঁ, তেনেহ'লে ঘোৰ অন্যায় নহ'বনে? এই দণ্ড নিজে নিজেই গ্ৰহণ কৰাটো—আমাৰ কৰ্তব্য।"

আৰু তাৰ পাছত এদিন যথাবিহিত ভাবে অৰ্জুন বনবাস তথা তীৰ্থ-পৰিক্ৰমালৈ ওলাল। বহু দিন ধৰি গৈ গৈ— তীৰ্থ পৰিক্ৰমাৰ অন্তত— এদিন অৰ্জুন গংগাদ্বাৰ পালেগৈ।

গংগাদ্বাৰত অনেক মুনি-ঋষি, অনেক

তপস্বী গংগাত স্নান কৰি আছিল আৰু অগ্নিলৈ আহুতি প্ৰদান কৰি আছিল। অৰ্জুনেও স্নান কৰিবলৈ মন কৰিলে আৰু গংগাৰ বুকুত নামিলে।

তেতিয়া তাত নাগকন্যা উলুপীয়ে সুঠাম-সুন্দৰ দেহধাৰী অৰ্জুনক দেখা পাই মোহিত হৈ পৰিল। উলুপীয়ে অৰ্জুনক পানীৰ তললৈ আঁজুৰি লৈ নাগলোকলৈ লৈ গ'ল আৰু তাত এক সুৰম্য প্ৰাসাদত প্ৰকৃতাৰ্থত আটক কৰি থ'লে।

আচৰিত হৈ পৰা অৰ্জুনে উলুপীক ক'লে, "তোমাৰ ইমান সাহস হ'ল্নো কেনেকৈ? তুমি কোন—? তুমি কাৰ পুত্ৰী? এই দেশৰ নাম কি?"

"হে মোৰ পতিদেৱতা! মই—ঐৰাৱত কুলৰ কৌৰৱং নামৰ নাগৰাজৰ পুত্ৰী। মোৰ নাম উলুপী। দেখাত কামদেৱহেন আপোনাৰ সুঠাম-সুন্দৰ অপৰূপ ৰূপ দেখি মোৰ হৃদয়-মনত প্ৰেম উপজিল, আৰু সেইহে মই আপোনাক এইদৰে লৈ আহিলোঁ। এতিয়া—মোৰ ইচ্ছা পূৰণ কৰক, আৰু মোক সন্তান প্ৰদান কৰক।"

"কিন্তু উলুপী, এক বিশেষ কাৰণত মই ব্ৰহ্মচৰ্য্য পালন কৰি আছোঁ, তীৰ্থ-পৰিক্ৰমা কৰি সময় অতিবাহিত কৰিছোঁ। গতিকে মোৰ ব্ৰতভংগ কৰাটো তোমাৰ



পক্ষেও অবাঞ্ছনীয় কথা হ'ব, মোক পাপে স্পৰ্শ কৰিব।" অৰ্জুনে উলুপীক ক'লে।

কিন্তু উলুপীয়ে এইবোৰ কথাৰ কাষেদিও নগ'ল। উলুপীয়ে ক'লে, "দ্ৰৌপদীৰ বিষয়ত যিবোৰ নিয়ম-নীতি আপোনালোকে পালন কৰিছে—মই সেই নিয়ম-নীতিবোৰৰ কথা নজনা নহয়। তথাপি কওঁ, যদি সেই নিয়ম-নীতিৰ দোহাই দি মোক অস্বীকাৰ কৰে, তেনে-হ'লে মই আপোনাৰ সন্মুখতে অগ্নিত আত্মদাহ দিম। কিন্তু কওকচোন—প্ৰাণৰক্ষা কৰাতকৈ পবিত্ৰ ধৰ্ম আৰু কিবা আছেনে জগতত? প্ৰাণৰক্ষাতকৈ পুণ্য-

কৰ্ম কিবা আছেনে ? এতেকে, মোৰ ইচ্ছা পূৰ্ণ কৰক।" এই বুলি কৈয়েই উলুপীয়ে অৰ্জুনৰ চৰণদ্বয় সৰ্বশক্তিৰে সাৱটি ধৰিলে।

তেতিয়া অৰ্জুন চিন্তান্বিত হৈ পৰিল। তেওঁৰ ওপৰে শিল, তলে কিল ; তথাপি —বহু সময় ধৰি চিন্তা কৰাৰ অন্তত তেওঁ উলুপীৰ সৈতে সেই ৰাত্ৰিৰ কালছোৱা অতিবাহিত কৰিলে।

পাছদিনা ৰাতিপুৱা উলুপীয়ে অৰ্জুনক পুনৰ গংগাদ্বাৰলৈ লৈ গ'ল আৰু অৰ্জুনক কোনো জল-জন্তুৱে অনিষ্ট নকৰিবৰ বৰ দিয়া হ'ল। তাৰ পাছত উলুপী গুচি গ'ল।

এই উলুপীৰ পুত্ৰৰ নাম আছিল—ঐৰাৱন্ত।

গংগাদ্বাৰৰপৰা প্ৰস্থান কৰাৰ আগতে অৰ্জুনে তৎসন্নিহিত অনেক তীৰ্থস্থানলৈ গ'ল। তাৰ বহুদিনৰ পাছত—গৈ গৈ—এদিন অৰ্জুনে মণিপুৰ ৰাজ্য পালেগৈ।

তেতিয়া মণিপুৰ ৰাজ্যৰ ৰজা আছিল চিত্ৰবাহন। ৰজা চিত্ৰবাহনৰ পুত্ৰী চিত্ৰাংগদা আছিল অপৰূপ সুন্দৰী। চিত্ৰাংগদাক দেখামাত্ৰেই অৰ্জুন মোহিত হ'ল আৰু চিত্ৰাংগদাকো বিবাহ কৰিবলৈ মন মেলিলে।

অৰ্জুনে চিত্ৰাংগদাৰ পিতৃ চিত্ৰবাহনক মনৰ ইচ্ছাৰ কথা কোৱাত ৰজা চিত্ৰবাহনে পুত্ৰীক কথাটো ক'লে।

চিত্ৰাংগদাই তাৰ উত্তৰত ক'লে, "ইয়াতকৈ অধিক মই আৰুনো কি আশা কৰিব পাৰোঁ ?"

তাৰ পাছত অৰ্জুনে চিত্ৰাংগদাক বিবাহ কৰালে, আৰু তিনি দিন-তিনি নিশা চিত্ৰাংগদাৰ সৈতে ৰাত্ৰি যাপিলে। আৰু তাৰ পাছত অৰ্জুনে পুনৰ মণিপুৰ ৰাজ্যৰপৰা খোজ লৈ, বহু দিন ধৰি বহু শ্ৰম কৰি গৈ গৈ এদিন দক্ষিণ-সমুদ্ৰতট পালেগৈ। [আগলৈ



চান্দ-সম্বাদ

ঐতিহাসিক জন্ম

যঁজা সন্তান জন্মাটো তেনেই সাধাৰণ কথা। হিচাপ কৰি উলিউৱা হৈছে যে প্ৰতি ৮২টি প্ৰসৱত এযোৰকৈ যঁজাৰ জন্ম হয়। প্ৰতি ৬৪০০ প্ৰসৱত জন্ম হয় একেলগে তিনিটি শিশুৰ, আৰু একেলগে চাৰিটি শিশুৰ জন্ম হয় ৫১২০০০ প্ৰসৱে প্ৰতি

এটি; একেলগে পাঁচ শিশুৰ জন্ম হয় প্ৰতি ৪১,০০০,০০০ প্ৰসৱত এটি। যোৱা জুন মাহত, এগৰাকী মিছৰীয় মাতৃয়ে একেলগে ছয়টি শিশু প্ৰসৱ কৰিছিল, যি-ঘটনা ৩,৫০ ,০০০,০০০ প্ৰসৱত এবাৰ মাত্ৰ ঘটে! এই প্ৰসৱ আছিল চাৰিটি ল'ৰা আৰু দুটি ছোৱালীৰ সমষ্টি। এই ল'ৰা-ছোৱালীহঁতৰ ওজন ৮৬ৰপৰা ১·৭৫ কিলোগ্ৰাম-লৈকে আছিল। শল্যবিদসকলে শল্য-চিকিৎসাৰে এই ল'ৰা-ছোৱালীহঁতক বিচ্ছিন্ন কৰিছিল আৰু প্ৰসৱৰ ইতিহাসত স্থান পোৱাৰ বাবে আটাইকেইটি জীয়াই থকালৈ প্ৰাৰ্থনা জনাইছিল।

কাকনো বুলিম কক্কা

নহয়, কোনো 'জানি পোৱা ভাল' জাতীয় কিতাপৰ লগত এই ঘটনাৰ কোনো সা-সম্পৰ্ক নাই। এই ঘটনাৰ পাত্ৰী হ'ল মিনা, মিতু আৰু নিম্মি। ইহঁত একেলগে জনম লৈছিল চৌদি আৰৱত কৰ্মৰত আৰ. এচ. পিল্লাই আৰু ভালছালাৰ ঘৰত। এই ছোৱালী তিনিওজনী সম্প্ৰতে কেৰেলৰ এখন স্কুলত ভৰ্তি হ'ল। প্ৰথম দুই সপ্তাহত—ইহঁত তিনিওজনীক বেলেগ বেলেগভাবে চিনি উলিয়াবলৈ স্কুলৰ শিক্ষক-শিক্ষিকাবৃন্দই চুলি ছিঙিছিল! কিয়নো—ইহঁত দেখাত এক যে একেই—সাজ-পাৰতো এক। তাৰ পাছত—তেওঁলোকে ইহঁতৰ প্ৰভেদ-পাৰ্থক্য ধৰিব পাৰিলে—ইহঁতৰ আচাৰ-আচৰণ চলন-ফুৰণৰ পাৰ্থক্যৰেহে। এই সূক্ষ্ম পাৰ্থক্য বহুতেই ঠাৱৰ কৰিব নোৱাৰিব। এই তিনিজনী যেতিয়া কাৰোবাৰ ঘৰলৈ ফুৰিবলৈ বা ভোজ খাবলৈ যায় —তেতিয়া ইহঁতক লৈ তাৰ মানুহখিনি বিপদত পৰে। ইহঁতৰ ডাক-নাম হ'ল মালু, মিনু আৰু মলু। কিন্তু কোন যে কোন—সেই কথাটোহে বুজিবলৈ টান!

উকীলৰ কিল

এই ঘটনাও কেৰেলৰ: এখন পৰিয়ালৰ চাৰিজন ল'ৰা আৰু ছোৱালী একনী—চৰ উকীল হ'ল। ৰামচন্দ্ৰন, ৰামনাথন, ৰামভদ্ৰন, ৰামৰাজন আৰু ৰামাদেৱী—এওঁলোক হ'ল ভেলু (৮০ বছৰীয়া) আৰু জানকী (৭০)ৰ ল'ৰা-ছোৱালী। ৰামচন্দ্ৰনে (৪৫ বছৰীয়া) ১৯৫১ চনত আইনৰ ডিগ্ৰি ল'লে। এওঁ ত্ৰিচুৰত উকীলৰ কাৰ্য্য কৰে। ৰামভদ্ৰন, ৰামনাথন আৰু ৰামৰাজনে কেৰেলৰ কুন্নামাকুলম আৰু পাৰাউৰত উকীলি কৰে। ৰামাদেৱী অৱশ্যে মহাৰাষ্ট্ৰৰ নাসিকত থাকে, য'ত তেওঁৰ গিৰিয়েক অশোকন হ'ল এজন উকীল। ৰামচন্দ্ৰনৰ পত্নী শীলাও উকীলনী হ'বৰ হ'লেই। এওঁলোকৰ বৃদ্ধ মাক-দেউতাকৰ পৰম সুখ, কেতিয়াও কিবা কাৰণ বিবাদ-বিসম্বাদ উপস্থিত হ'লেও ক টইে গৈ উকীল বিচাৰি ফুৰিব নালাগে।

ছাতি বিৰিখ

১৭৬৯ চনত ইংৰাজ নৌ-অভিযাত্রী ক্যাপ্‌টিন কুক তাহিতি দ্বীপলৈ গৈছিল. আৰু তাত তেওঁ এজোপা বিশেষ বৃক্ষক 'থিছপেছিয়া' বুলি নামকৰণ কৰিছিল— যিটি নামৰ গ্রিক নামৰ অৰ্থ হ'ল—'স্বৰ্গীয়' আনকি ভাৰততো এই বৃক্ষ মন্দিৰ-মসজিদ-গির্জাৰ গাত লগপতীয়া হৈ উঠা পৰিলক্ষিত হয়। এইবৃক্ষ পোহিয়া বৃক্ষৰূপে জনাজাত। এয়াক টিউলিপ আৰু আম্ব্ৰেলা অৰ্থাৎ ছত্র (ছাতি) বৃক্ষ বুলিও কোৱা হয়।

ভাৰতৰ যিবোৰ ঠাইত এই বৃক্ষ দেখা যায়, বিশেষকৈ দক্ষিণ ভাৰতত—তাত এই বৃক্ষক 'গলগাইয়াডি (তেলুগু,) কাল্লাল (তামিল) চান্দামাৰাম (মালায়ালম), আৰু আৰাছি (কন্নড়) বুলি কোৱা হয়। এই বৃক্ষৰ হিন্দীত, মাৰাঠিত আৰু গুজৰাটীত 'ভেণ্ডি', আৰু পঞ্জাবী আৰু বাংলাত 'পৰশ' বুলি কোৱা হয়।

এই বৃক্ষৰ উদ্ভিদবিদ্যাগত নাম হ'ল— থিছপেছিয়া পপিউলনিয়া। এই বৃক্ষৰ পাতবোৰ কলিজাৰ আকৃতিৰ আৰু টান। এই বৃক্ষৰ পাতবোৰ সৰে, কিন্তু বৃক্ষ চিৰ-সেউজ হৈ থাকে।

এই বৃক্ষৰ ফুলবোৰ হ'ল উজ্জ্বল হালধীয়া বৰণৰ আৰু ফুলবোৰৰ ভিতৰত এবিধ বেঙুনীয়া বৰণৰ 'চকু' আছে. যিবোৰ চকু সময়ৰ লগে লগে চকু ৰঙা আৰু গোলপীয়া বৰণ লয়। এই বৃক্ষৰ ফলবোৰ ঘূৰণীয়া আকাৰৰ আৰু প্ৰথমৰ ফালে সেউজীয়া, পাছত ক্ৰমে তামবৰণীয়া হৈ ক'লা বৰণ লয়। গোটেই বছৰ জুৰিয়েই ফুল হয়, কিন্তু জাৰকালিহে অধিক ফুল পৰিলক্ষিত হয়।

এই বৃক্ষৰ কাঠ টান আৰু অতি উত্তম। এই বৃক্ষৰ কাঠ পানী-প্ৰতিৰোধক হোৱাত এই বৃক্ষৰ কাঠেৰে নাও নিৰ্মাণ কৰা হয়, গৰুৰ গাড়ীৰ চকা আৰু বিধেবিধ বাকচো তৈয়াৰ কৰা হয়। এই বৃক্ষৰ ফল, পাত, শিপা আদিৰ ঔষধি গুণও আছে।

ভাৰতৰ ঋষিকুল—৮

চ্যৱন

মহৰ্ষি ভৃগু-পত্নী পুলোমা এক নিৰ্জন আশ্ৰমত বাস কৰিছিল তেওঁ তেতিয়া আছিল আসন্ন-প্ৰসৱা।

এদিন তেওঁ যেতিয়া অকলশৰে জিৰণি লৈ আছিল, তেতিয়া দানৱ এটাই তেওঁক অপহৰণ কৰিলে। আৰু তৎক্ষণাৎ তেওঁৰ গৰ্ভৰপৰা তেওঁৰ পুত্ৰ ওলাই আহি দানৱটোক পৰাস্ত কৰিলে।

এই শিশুপুত্ৰটিয়েই আছিল চ্যৱন। 'চ্যৱন নামৰ অৰ্থ হ'ল—'অসময়ত জন্মগ্ৰহণ'।

ডাঙৰ হৈ চ্যৱন ঋষি হ'ল, নৰ্মদা নৈৰ তীৰত গভীৰ তপস্যাত বহিল, আৰু তেওঁৰ সময়ৰ জ্ঞান তিৰোহিত হ'ল। ক্ৰমে ক্ৰমে তেওঁৰ চাৰিওফালে জোপা-জুপলি গছ-বন গজি উঠিল, উই-পৰুৱাই হাফলু সাজিলে, আৰু তেওঁ হাফলুৰ মাজত ঢাক খাই পৰিল। সেই হাফলুৰপৰা তেওঁ মাজে-মধ্যে চকু মেলি চাইছিল, আৰু সেয়ে আছিল তেওঁৰ জীয়াই থকাৰ একমাত্ৰ চিন।

এদিন শৰ্য্যাতি নামৰ ৰজা এগৰাকী অৰণ্য পথেদি সপৰিয়ালে গৈ থাকোঁতে এঠাইত জিৰণি ল'বৰ বাবে ৰ'ল আৰু তেতিয়া তেওঁৰ লগত থকা সৰু সৰু ল'ৰাইতে লুকা-ভাকু খেলিবলৈ ধৰিলে। হাফলুটো, আৰু হাফলুৰ মাজত থকা চকু যেতিয়া সিহঁতৰ চকুত পৰিল, তেতিয়া সিহঁতে হাফলুটোলৈ শিলগুটি দলিয়াবলৈ ধৰিলে। সেই চকু যে মানুহৰ চকু—সেই কথা সিহঁতে ঠাৱৰ কৰিব নোৱাৰিলে।

ক্ৰুদ্ধ ঋষিয়ে এই ল'ৰাইতৰ মাক-দেউতাকলৈ অভিশাপ দিলে। ৰজাই ঋষিৰপৰা ক্ষমা ভিক্ষা কৰিলে। তেতিয়া পুত্ৰী সুকন্যা তেওঁৰ পিছফালে থিয় হৈ আছিল। ঋষিয়ে অভিশাপ প্ৰত্যাহাৰ কৰি সুকন্যাক পত্নীৰূপে পাবলৈ বিচাৰিলে।

ৰজা দোধোৰ-মোৰত পৰিল। তেওঁ কেনেকৈ তেওঁৰ যুৱতী কন্যাক এক বৃদ্ধ ঋষিত সমৰ্পিব? পিতৃৰ অস্বস্তিৰ কথা উপলব্ধি কৰি সুকন্যা স্বয়ং চ্যৱন ঋষিক বিবাহ কৰি অৰণ্যত বসবাস কৰিবলৈ ধৰিলে।

এদিন দেৱচিকিৎসকদ্বয়—অশ্বিনীকুমাৰ ভ্ৰাতৃদ্বয় ঋষি চ্যৱনৰ অতিথি হ'ল। তেওঁলোকে সুকন্যাক ক'লে যে, চ্যৱনৰ বাৰ্দ্ধক্য গুচাই যৌৱন ঘূৰাই আনিব পাৰে; কিন্তু সুকন্যাই—তিনিজন চ্যৱনৰ মাজৰপৰা তেওঁৰ স্বামীক সঠিকভাবে উলিয়াই ল'ব লাগিব।

ৰাজকুঁৱৰী সুকন্যা অশ্বিনীকুমাৰদ্বয়ৰ প্ৰস্তাৱত সন্মত হ'ল আৰু দেৱ-বৈদ্য অশ্বিনীকুমাৰদ্বয়ে বৃদ্ধ চ্যৱনৰ সলনি সুকন্যাৰ আগত তিনিজন চ্যৱনক উপস্থিত কৰিলে। সুকন্যাই তেওঁৰ সত্য-দৃষ্টিৰে তিনিজনৰ মাজৰপৰা স্বামী চ্যৱনক মুহূৰ্ততে বিচাৰি উলিয়ালে। চ্যৱনৰ বহুসংখ্যক স্তোত্ৰ আজিও অম্লান।

জানিবলগীয়া

১. আমেৰিকাৰ ৰাষ্ট্ৰপতি-ভৱনৰ নাম 'হোৱাইট হাউছ' হ'ল কিয় ?
২. টিপু ছুলতানৰ ৰাজ্যৰ ৰাজধানীৰ নাম কি আছিল ?
৩. 'ডাজ্ কাপিত্যাল'-ৰ ৰচক কোন ?
৪. 'সৰৰমতীৰ সাধু' কোন ?
৫. জেব্ৰাৰ বৈশিষ্ট্য কি ?
৬. হোলকাৰসকলে ক'ৰপৰা ৰাজ্য-শাসন চলাইছিল ?
৭. ৰোডেছিয়াৰ বৰ্তমান নাম কি ?
৮. ৰবীন্দ্ৰনাথে তেওঁৰ কোনখন পুস্তকৰ বাবে ন'বেল-বঁটা পাইছিল ?
৯. ৰোবট-ৰ প্ৰথম উদ্ভাৱন-কাল কি ?
১০. কোনে আৰ্য্যসমাজ প্ৰতিষ্ঠা কৰিছিল ?
১১. সৰাতোকৈ প্ৰাচীন খেলা কি ?
১২. কোলাৰ স্বৰ্ণখনি কোনখন ৰাজ্যত অৱস্থিত ?
১৩. কোন চকলেট-নিৰ্মাতা কম্প্যানিয়ে পুৰা গাঁও এখন কামৰ বাবে লৈছিল ?
১৪. 'গীত গোবিন্দ'ৰ ৰচক কোন ?
১৫. ডিনামাইটৰ আৱিষ্কৰ্তা কোন ?
১৬. ভাৰতৰ জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভাপতি কোন ?

জানক

১. অগ্নিকাণ্ডৰ চেকাবোৰ ঢাকিবলৈ বগা ৰং কৰা হৈছিল বাবে।
২. শ্ৰীৰংগপতনম্।
৩. কাৰ্ল মাৰ্ক্স।
৪. মহাত্মা গাঁধী (গান্ধী)।
৫. জুটা জেব্ৰাৰ গাৰ দাগৰ পাৰ্থক্য।
৬. ইন্দোৰ—আজিৰ মধ্যপ্ৰদেশৰপৰা।
৭. জিম্বাবোৱে।
৮. গীতাঞ্জলি। ৰবীন্দ্ৰনাথে স্বয়ং বাংলাৰপৰা ইংৰাজিলৈ অনুবাদ কৰিছিল।
৯. ১৯৬২ চন, আমেৰিকাৰ এখন প্ৰতিষ্ঠানত।
১০. স্বামী দয়ানন্দ সৰস্বতী।
১১. পোলো (তেতিয়াৰ পাৰস্যত, আজিৰ ইৰান দেশত), প্ৰথম খৃষ্টাব্দত।
১২. কৰ্ণাটকা।
১৩. বোৰ্ণাভিয়ে গাঁও—ক্যাডবাৰি কম্প্যানিয়ে।
১৪. জয়দেৱ।
১৫. আলফ্ৰেড ন'বেল, সুইডিছ ৰসায়নবিদ।
১৬. ড° অ্যানি বেছান্ত, ১৯১৭ চনৰ কংগ্ৰেছ অধিবেশনত।

কণ্টকৰ কিচ্মত

এদিন গধূলিপৰতে ৰতনপুৰৰপৰা মদন-পুৰলৈ যাবলৈ ছখন গৰুৰ গাড়ীত উঠি ভালেমান মানুহ-মুনিহ বিয়াৰ ভোজ খাবলৈ গৈ আছিল। কইনাপক্ষীয়ই বিয়াখন লিংগেশ্বৰ মন্দিৰতে হ'ব বুলি স্থিৰ কৰিছিল। ছয়খন গাড়ী বাদে আন এখন গাড়ী আছিল, যিখন গাড়ীত নানান বস্তু-সামগ্ৰী বোজাই কৰা আছিল।

গাড়ীকেইখন যেতিয়া মদনপুৰ প্ৰায় পাওঁ পাওঁ হ'ল, তেতিয়া ৰান্ধনিমানুহজনৰ মনত পৰিল যে মিঠাইৰ পাচিটো গাড়ীত উঠাই লোৱা নহ'ল, মিঠাইৰ পাচিটো তাতে থাকি গ'ল।

তেতিয়া ৰান্ধনি মানুহজনে কমলনাথ নামৰ ডেকা এজনক ক'লে, "শুনা, আমি বস্তু-সামগ্ৰী লৈ যিমান মানুহ গৈ আছোঁ, তাৰ মাজত তুমিয়েই একমাত্ৰ ডেকা মানুহ। আমি বাদবাকীয়ে আনকি খৰকৈ খোজও কাঢ়িব নোৱাৰোঁ। গতিকে— তুমি পাৰিবা। লাগিলে দৌৰিবও পাৰিবা। তুমি গাঁৱলৈ যোৱা, আৰু মিঠাইৰ পাচিটো যিমান শীঘ্ৰ সম্ভৱ লৈ আহাগৈ। যদিও এতিয়াও মাজত এটা দিন আছে, তথাপি তুৰন্তে লৈ আহাগৈ। যাওঁতে খোজ কাঢ়ি যাবা, আৰু আহোঁতে —হোঁ—এয়া লোৱা, এই পঁচিছ টকাৰে গাড়ী এখন ভাড়ালৈ লৈ ল'বা।"

কমলনাথ গাঁৱলৈ আহিল, আৰু মিঠাইৰ পাচিটো লৈ পুনৰ ৰাওনা হ'ল। ৰাওনা হ'ল, কিন্তু বাট চমুৱাবলৈ, আৰু গাড়ীৰ ভাড়া বাবদে দিয়া সেই টকা পঁচিছটা খৰচ নকৰি নিজৰ জেপতে ভৰাই

প্ৰকাশ পাঠক

থ'বলৈ— পোন বাটেদি নগৈ সাগৰৰ পাৰেদি গৈ থাকিল।

জোনাক নিশাত সাগৰৰ ৰূপ কিঞ্চিৎ ভয়ংকৰ যেন লাগে যে—সেই কথাটি সমুদ্ৰৰ পাৰে পাৰে কিছুদূৰলৈ যোৱাৰ পাছতহে কমলে উপলব্ধি কৰিলে। সি মিঠাইৰ পাচিখন মূৰৰপৰা নামাই থৈ জিৰণি ল'বলৈ, আৰু পঁচিছ টকা ৰচাবলৈ ৰাতিৰ পৰতে সাগৰৰ পাৰেদি অকলশৰে আৰু আগবঢ়া উচিত হ'বনে নহ'ব সেই কথা ভাবিবলৈ—ৰহিল।

আৰু সি ৰহি দিয়াৰ লগে লগেই সেই ৰাতিৰ সাগৰৰ পাৰত এখন ডাঙৰ নাও আৰু সেই নাৱৰপৰা বিদেশী সাজ-পাৰ পিন্ধা দহটা ভূতক কমলৰ পিনে আহি থকা দেখা গ'ল। এই ভূতবিলাকে নিজৰ মাজত কিচকিচকৈ কিবাকিবি কৈ আছিল, কিন্তু কমলে একোৱেই বুজি নাপাই শিলৰ দৰে অলৰ-অচৰ হৈ বহিয়েই থাকিল।

কি কৰিব-কি নকৰিব বুলি যেতিয়া ভয়াতুৰ কমলে ভাবি আছিল, তেতিয়া ক'ৰবাৰপৰা এটা শকত-আৱত ভূত তাৰ পিনে আহি থাকিল। এই ভূতটোৰ হাতত এডাল সোকা আছিল।

তেতিয়া কমলে ভাবি আছিল: কি

গছৰ গুটি খালে মানুহ মৰে—এইবাৰহে জানিম। পঁচিছ টকা মাৰি দিবলৈ চেষ্টা কৰাত এতিয়া ভূতৰ হাতত আওমৰণে মৰিম আৰু মালতীকো বাঁৰী কৰিম, ল'ৰা-ছোৱালীহালকো মাৰিম।

তিমানতে সেই সৌকা-ভূতটো কমলৰ আগত ধিয় হ'লহি। কমলে বহিয়েই থাকিবনে উঠি লৰ ধৰিব ভাবি থাকোঁতেই সৌকা-ভূতটোৱে কমলক কৈ উঠিল, "বোপা, ভয় নকৰা। পলাবলৈ চেষ্টা কৰি—সেই বিদেশী ভূতইঁতৰ আগত মোক চূণ-খাৰ নকৰা। মই যদিও ভূত—তথাপি—মই এই দেশৰে—স্বদেশীভূত।"

অলপ সাহ-পিত ঘূৰাই পোৱা কমলে স্বদেশীভূতক সুধিলে, "এই বিদেশীইঁতে কিচকিচলৈ কি কথা কৈছেনো?"

"এই কিচকিচীয়া বিদেশী ভূতইঁতে সুধিছে যে—তুমি জীয়ানে মৰা, অৰ্থাৎ—তুমিও এটা ভূতনে কি। মই নিইঁতক ক'লোঁ যে তুমি এতিয়াও মৰি ভূত হোৱা হোৱা নাই, জীয়া মানুহ।"

বিদেশী ভূতইঁতে স্বদেশীভূতক মিঠাইৰ পাচিটোলৈ আঙুলিয়াই কিবাকিবি কিচকিচাই সুধি থাকিল।

কমলে জিজ্ঞাসু দৃষ্টিৰে স্বদেশী ভূতটোলৈ চালে। তেতিয়া স্বদেশী ভূতে কমলক ক'লে, "তোমাৰ পাচিটোৰপৰা সুগন্ধ ওলোৱাত— সেই পাচিটোত কি আছে বুলি সিহঁতে সুধিছে।"

ইতিমধ্যে বিদেশী ভূত কেইটা ই পাচিটোৰ চাৰিওফালে থিয় হৈছিলগৈ। স্বদেশী ভূতটোৱে মিঠাইধ পাচিটোৰপৰা মিঠাই হাতত লৈ বিদেশী ভূতকেইটাক ক'লে, "এয়া হ'ল বিয়াৰ ভোজৰ মিঠাই। তোমালোকেও চাকি চোৱা আৰু বিয়াৰ দৰা-কইনাক আশীৰ্বাদ দিয়া।"

বিদেশী ভূতবিলাকে মুগৰ লাড়ু খাই বৰ ভাল পালে, আৰু আটাইবোৰ মুগৰ লাড়ু খাই শেষ কৰিলে। আৰু তাৰ

পাছত যিখিনি মিঠাই পাচিটোত আছিল, টোপোলা এটাত বান্ধি ল'লে।

স্বদেশী ভূতে কমলক ক'লে, "ইহঁতে কৈছে যে—সিহঁত জীয়াই থকাহেঁতেন এনেহেন মিঠাই খাবলৈ এইখন দেশতে ৰংমনে থাকিলহিহেঁতেন।"

কমলে ক'লে, "বৰ ভাল কথা। কিন্তু এতিয়া মোৰ কি হ'ব? মই দুখীয়া মানুহ, মিঠাই কিনাৰ জোখাৰে টকা তো মোৰ নাই! তেনেহ'লে — মই বিয়াঘৰলৈ ক'ৰপৰা নো মিঠাই লৈ যাম?"

কমলৰ কথাটো স্বদেশী ভূতে বিদেশী ভূতকেটাক বুজাই ক'লে 'আৰু এই কথা শুনি এটা বিদেশী ভূতে কমলৰ সেই মিঠাই পাচিটো দাঙি লৈ নোহোৱা হৈ দিলে, আৰু কেইমুহূৰ্তমানৰ পাছত পুনৰ সেই পচিটোৰে সৈতে—যেনিবা মাটি ফালি ওলাই আহিল। পাচিটোত আছিল এপাচি সোণৰ মোহৰ!

স্বদেশী ভূতে কমলক ক'লে, "এই সোণৰ টকাখিনি তোমাৰ। এতিয়া তুমি মিঠাই কিনা যি কিনা কিনি থাকাগৈ। পিছে—অহা পূৰ্ণিমাৰ নিশা এই মুগৰ লাড়ু আৰু অন্য ভাল মিঠাই লৈ ঠিক এই ঠাইডোখৰলৈ আহিবা, আমিও আহিম, মিঠাই খাম, আৰু তোমাক আকৌ সোণৰ টকা এপাচি দিম।"

এই বুলি কৈয়েই আটাইবোৰ ভূত



ভোজবাজীৰ দৰে শূন্যত মিলাই গ'ল।

মালতীয়ে ইমানবোৰ সোণৰ মোহৰ দেখি আৰু সকলো কথা শুনি অবাক মানি নির্বাক হ'ল। গিৰিয়েক কমলে ক'লে, "গ্ৰহ বোধকৰোঁ আমাৰ অনুকূল, নহ'লেনো বিদেশী ভূতহঁতে আমালৈ ইমান মৰম দেখুৱাব কিয়? যি কি নহওক—অহা পূর্ণিমাৰ নিশাও এই দয়ালু ভূতহঁতে সাগৰপৰীয়া সেই বড়াগাঁৰৰ পাৰতে আহিব, আৰু তৰহে তৰহে মিঠাই ভৰাই লৈ—ঠিক মাজনিশা সেই ঠাই পাবগৈ লাগিব। পিছে শুনা—তুমি কিন্তু এইবোৰ কথা কাকপক্ষীকো নক'বা।"

কিন্তু আটাইখিনি কথা কাষৰীয়া ঘৰটোৰ কণমাইৰ কাণত পৰিছিল। তাই তেতিয়া সাৰে আছিল, আৰু ইমান ৰাতি কমলে কি কয় — কাণ-সৰালি মাৰি শুনিছিল। তাই তেতিয়াই তাইৰ ভেবা গিৰিয়েকক টোপনিৰপৰা জগালে আৰু কমলৰ কথাখিনি তাক ক'লে।

কণমাইৰ গিৰিয়েক কণ্টকো কম মানুহ নহয়, কিন্তু ঘৈণীয়েকৰ আঠুৰাৰ মহ। ঘৈণীয়েক কণমায়ে যি কয় তাকে কৰে, তাইৰ ভয়তে মৰে।

"কিন্তু এটা কথা—" কণমায়ে কণ্টকক ক'লে, "যদি কমলটোও তালৈ যায়—যাবই—' তেতিয়া কি হ'ব? ভূতবিলাকে তাকহে খাতিৰ কৰিব, আৰু তোমাক খেদিব। গতিকে — কমলক কেনেবাকৈ— কয়েও সেই ৰাতিটোৰ বাবে আন ঠাইলৈ পঠোৱাৰ দিহা কৰিবই লাগিব।" এই বুলি কৈ, কণমায়ে কণ্টকৰ কাণে কাণে ফুচফুচকৈ কিছুমান বৰ জৰুৰী কথা কোৱাদি ক'লে।

তাৰ পাচত—পূর্ণিমাৰ দুদিনৰ আগতে কণমাইৰ দিহা মতে কণ্টক চহৰলৈ গ'ল আৰু ঠিক সেই পূর্ণিমাৰ দিনা আবেলি-পৰতে চহৰৰপৰা উভতি আহিল। আৰু কমলৰ ঘৈণীয়েক মালতীক ক'লেগৈ,

"তোমাৰ মাৰাই অতি টান বেমাৰত পৰি পাটী লৈছে। ইমান পৰে তেওঁ জীয়াই আছেনে চুকাল— মোৰ পক্ষে কোৱা টান। তোমাক আজি এই মুহূৰ্ত্ততে যাবলৈ কৈছে তেওঁলোকে। তোমাৰ মাৰাই হেনো তোমাৰ বাট চাইহে এতিয়াও জীয়াই আছে—এইখিনি কথা তোমাক ক'বলৈ দিছে মোক। আজি মই চহৰৰপৰা নাহিলোহেঁতেন, কিন্তু তেওঁলোকে মোক বাৰে বাৰে কোৱাত এই বিষম খবৰটো তোমাক ক'বলৈহে—গুচি আহিলোঁ।"

মাক মৰোঁ মৰোঁ—এই খবৰ পায়েই মালতীয়ে সেই মুহূৰ্ত্ততেই কমলৰ সৈতে চহৰলৈ বুলি খোজ ল'লে।

ইপিনে — মাজনিশাত কণমাইৰ অঠুৰাৰ মহ কণ্টকে—ঘৰৰ ইটো-সিটো আৰু কণমাইৰ হাতৰ খাৰুযোৰ বেচা টকাৰে — বিধো বিধ মিঠাই কিনি পাচিটোত ভৰাই সাগৰপাৰীৰা বড়া গাঁৱলৈ লৈ গ'ল। আৰু যদিও ভয় লাগিছিল, তথাপি লোভত পৰি কেনেবাকৈ ভয়ক জয় কৰি ভূতবিলাকৰ বাট চাই আশাত বৈ থাকিল।

অলপ পাছত সোঁকা শূন্যত ঘূৰাই ঘূৰাই স্বদেশী ভূতটো কণ্টকৰ সমুখলৈ আহিল আৰু কণ্টকলৈ চাই কিঞ্চিত অবাক মানি সুধিলে,"সিদিনাৰ সেই ডেকা মানুহজন ক'ত? সি অহা নাই কিয়?"

কণ্টকে কৰুকাই কৈ উঠিল, "তাৰ এতিয়া বৰ অহম্কাৰ হ'ল। সি এপাচি সোণৰ টকা পাই ডাঙৰ মানুহ হৈ গ'ল।

স্বদেশীভূতে ক'লে, "তোমালোকেৰ মিঠাই খাই বিদেশী ভূতবোৰ টান বেমাৰত পৰিল, সিহঁতে এইবোৰ মিঠাই আৰু নাখাব, আৰু—সিহঁত কেতিয়াও ইয়ালৈ আৰু নাহিব।" এই বুলি কৈয়েই স্বদেশী ভূতে কণ্টকক কাণতলীয়া এটা মাৰি তাৰপৰা নিমিষতে নোহোৱা হৈ গ'ল।

আদৰ্শ দম্পতি

তাহানিৰ কথা। প্ৰয়াগত ধ্ৰুৱকেতু নামৰ এগৰাকী অতি সজ্জন বেপাৰী আছিল। তেওঁৰ পত্নী নয়নতৰাও আছিল মধুৰ শান্ত স্বভাৱৰ তিৰোতা। দুয়ো আছিল আদৰ্শ দম্পতি। কিন্তু এই আদৰ্শ দম্পতিৰ এক বিশেষ মনোবেদনা আছিল। আৰু সেই মনোবেদনাৰ হেতু আছিল এওঁলোকৰ পুত্ৰ স্বয়ং শশিকেতু।

সৰুৰেপৰাই শশিকেতু আছিল উংপতীয়া স্বভাৱৰ। মাক-দেউতাকে তেওঁলোকৰ একমাথোন পুত্ৰটিক তাৰ উৎপতীয়া স্বভাৱৰ বাবে বৰ ককৰ্থনা-বিকৰ্থনা কৰা নাছিল, কেৱল কেতিয়াবা কোমল কথাৰে বুজাইছিল, বুজনি দিছিল। কিন্তু তাৰে কোনো ফল নহ'ল, শশিকেতুৱে তাৰ নানান উংপাৎ চলায়েই থাকিল, আৰু তাৰ বাবে তাৰ মাক-দেউতাকও সমাজখনৰ আগত লাজত মূৰ দাঙিব নোৱৰা হ'ল।

ধ্ৰুৱকেতুৰ অন্যতম নিকটমিত্ৰ আছিল পূজাৰী। অৱশেষত, শশিৰ দুষ্টতা যেতিয়া বাঢ়িল, তেতিয়া ধ্ৰুৱকেতুৱে মিত্ৰ পূজাৰীক শশিৰ সকলো কথা ভাঙি-পাতি ক'লে আৰু পূজাৰীৰপৰা এই বিষয়ৰ সমাধানৰ বাবে পৰামৰ্শ বিচাৰিলে।

পুজাৰীয়ে ক'লে, "হওঁতে—যদি সঁচা ক'ব লাগে — তোমালোকৰ দোষতেই শশিৰ এনেকুৱা অৱস্থা হ'ল। তোমালোকে সৰুৰেপৰাই তাক কটকটীয়াকৈ ককৰ্থনা আৰু দুই-চাৰি কাণটলীয়া দিয়াহেঁতেন সি ইমান অঘাইত হ'বলৈ নাপালেহেঁতেন। যি কি হওক—এটা কাম কৰা। তাক

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

কোনোবা দূৰণীৰটীয়া ঠাইলৈ পঠাই দিয়া, য'ত সি এই ঠাইৰ দৰে সহায়-সাৱথি নাপাই ভাল হৈ উঠিব পাৰে।"

পাছত কথাটো শশিকেতুৱে কোৱাত শশিকেতুৱে তাৰ দেউতাকক ক'লে, "ঠিক আছে, যাম মই। মোক কাশীলৈ পঠাওক। কাশীত হেনো ঘোৰ পাপীও পুণ্যৱান হয়।"

পূজাৰীৰ পৰামৰ্শ যে এনেকৈ সফল হ'ব, ইমান সহজতে, ক্ৰুৰকেতুৱে ভবা নাছিল। তেওঁ আৰু কালক্ষেপ নকৰি কাশীত থকা পূজাৰীৰ চিনাকি তথা আত্মীয় এজনলৈ চিঠি এখন লিখি শশিকেতুৰ হাতত দিলে আৰু তাক কাশীলৈ পঠালে।

দুমাহৰ অন্তত পত্ৰত শশিকেতুৰ খবৰ পোৱা গ'ল, সি ভালেই আছে তাত, আৰু সি ভাল পথেৰেই চলিছে।

তাৰ পাছত—কেইমাহমানৰ পাছত এদিন পূজাৰীৰ ওচৰত এখন পত্ৰ আহিল, আৰু সেই পত্ৰখনত এক অতি দুঃখজনক কথা লিখিছিল কাশীৰ সেই আত্মীয়জনে। তেওঁ লিখিছিল: শশিকেতুৱে কিছুমান মদপী আৰু জুৱাৰীৰ লগত কাজিয়া-বিবাদ কৰাত সেই মদপী-জুৱাৰীহঁতে শশিকেতুক মাৰি পেলালে।

পত্ৰ পঢ়ি পূজাৰী একেবাৰে ঠৰ হৈ পৰিল। এই দুঃসংবাদ—পুত্ৰৰ মৃত্যু সংবাদ কেনেকৈনো ক'বগৈ? শশিকেতুৰ মাক—ক'বলৈ গ'ল মৃত্যু শয্যাত। তেওঁ প্ৰতিদিনেই বেমাৰত ভুগি আছে, যিকোনো দিনেই স্বৰ্গী হ'ব পাৰে। কিন্তু পুতেকৰ মৃত্যুৰ কথা ক'লে—যিওবা জীয়াই আছে, তৎক্ষণাৎ হয়তো ঢুকাব। গতিকে—কথাটো যাতে তেওঁৰ কাণত নপৰে—তেনেকৈয়েই ক'ব লাগিব।

পূজাৰীৰপৰা পুতেকৰ মৃত্যুৰ বাতৰি পাই ক্ৰুৰকেতু মৰ্মাহত হ'ল, যদিও কিছু সময়ৰ অন্তত নিজক চম্ভালি ল'লে, আৰু পূজাৰীক ক'লে, "তাক দূৰ দেশলৈ পঠোৱাৰ পাছৰেপৰাই এনেবোৰ কথা



মজে-মধ্যে মোৰ মনত উক দিছিল, যদিও —সি তেনেকৈ মৰিব—এই কথা কল্পনাও কৰা নাছিলোঁ, কোনে কাৰ কপালৰ আঁক মচিব পাৰে?" দীঘল হুমুনিয়াৰে ক'লে।

কিছু সময়ৰ পাছত ধ্ৰুৱকেতুৱে মিত্ৰ পূজাৰীক ক'লে. "মিত্ৰ, এটা উপকাৰ কৰিব লাগিব কিন্তু। শশিৰ মৃত্যুৰ কথা তোমাৰ নবৌয়েৰাক—শশিৰ মাৰাক নক'বা। যদি কোৱা—তেওঁক বঁচাব নোৱাৰিম!"

"ঠিক আছে, নকওঁ, কথা দিলোঁ।"

তাৰ পাছৰপৰা আৰম্ভ হ'ল এক অভিনৰ অধ্যায়। প্ৰতি মাহতে পূজাৰীয়ে চিঠি এখন লৈ আছে; আৰু শশিকেতুৰ বিষয়ে কাশীৰপৰা অহা চিঠি ধ্ৰুৱকেতুৰ পৰিবাৰক পূজাৰীয়ে পঢ়ি শুনায়।

পূজাৰীয়ে কয়, "শুনক নবৌ—কি লিখিছে: 'শশি হয়তো কিছুদিনৰ পাছত কাশীৰ ৰাজ-দৰবাৰত চাকৰি পাব'।

এমাহৰ পাছত আকৌ চিঠি আহিল। পূজাৰীয়ে পঢ়ি শুনালে শশিকেতুৰ মাক নয়নতৰাক, "আৰু মাত্ৰ দুটা মাহ, তাৰ পাছতেই শশি ৰাজ-দৰবাৰৰ চাকৰিয়াল হ'ব। শশিৰ কৰ্মপ্ৰাপ্তিত আমি আনন্দিত।"

দুমাহৰ অন্তত পূজাৰীৰ নামত কাশীৰপৰা যিখন চিঠি আহিল, সেইখন লৈ পূজাৰীয়ে ৰাতিৰ পৰতেই আহিল। পূজাৰীয়ে শশিৰ মাক নয়নতৰাক ক'লে, "নবৌ; এয়া লওক, আমাৰ শশি এতিয়া ৰজাৰ মানুহ। মহাৰাজে তাক হেনো নিজৰ খাছ কৰ্মচাৰীহঁতৰ মাজত লৈছে।"

চতুৰ্থ চিঠিখনো পূজাৰীয়ে এদিন নয়নতৰাক পঢ়ি শুনালে, "শশিকেতু— শুনিছেনে নবৌ? শশিকেতুয়ে আপোনাক চাবলৈ আতুৰ হৈছে। ছুটি পোৱামাত্ৰেই শশি ঘৰমুৱা হ'ব।"

পূজাৰী যেতিয়াই আহিছিল, ধ্ৰুৱকেতু আৰু নয়নতৰাই তেওঁক আদৰি লৈছিল, আৰু পূজাৰীয়ে কোৱা কথাখিনি মনপুতি

অতি আগ্ৰহৰে শুনিছিল। যদিও নয়নতৰা চিৰ-ৰুগ্ন, তথাপি — পূজাৰী অহামাত্ৰই তেওঁ যেনেকৈয়েই নহওক উঠি বাহিছিল আৰু তেওঁৰ যে কিবা শ্ৰৱণৰ কষ্ট হৈছে, সেই কথা পূজাৰীৰ একোপধ্যেই প্ৰকাশ নকৰিছিল।

ইমান মৰমিয়াল ইমান সুন্দৰ স্বভাৱৰ তিৰোতা সদয় প্ৰৱঞ্চনা কৰিবলগা হৈছে বুলি পূজাৰীৰ মনতহে খেদ হৈছিল। পূজাৰীয়ে নিজৰ মনতে নিজক কৈছিল : মই আচলতে কোনো বেয়া কাম কৰা নাই। এনে আদৰ্শ ধৰ্মপত্নী এগৰাকীক যদি এইদৰে শান্তি দিব পাৰিছোঁ, কিনো অন্যায় কৰিছোঁ? মোৰ কোনো স্বাৰ্থ নাই।

এইদৰে প্ৰায় আঢ়ৈ বছৰ পাৰ হ'ল।

আৰু— এদিন যেতিয়া পূজাৰী, আহিল, তেতিয়াই শশিৰ মাকৰ মৃত্যুক্ষণ উপস্থিত! ধ্ৰুৱকেতুৱে চিকিৎসকক মাতি আনিবলৈ চুবুৰীয়া গাঁৱলৈ যোৱা বাবে, পূজাৰী ধ্ৰুৱকেতুৰ ঘৰলৈ অহা সময়ত ধ্ৰুৱকেতু তাত নাছিল।

নয়নতৰাই চকু মেলি পূজাৰীক দেখা পাই ম্লান হাঁহিৰে সৈতে পূজাৰীক ক'লে, "বোপা, কথা এটা কওঁ তোমাক। শশি যে আৰু নাই—মই—তোমাৰ কাশীৰ আত্মীয়ৰপৰা তেতিয়াই জানিছিলোঁ। তথাপি—আমাৰ শশিৰ দেউতাৰাৰ কথা ভাবি মই তোমাৰ চিঠিৰ কথা সদায় শুনিছিলোঁ। মোৰে শপত, তেওঁৰ মৃত্যুৰ দিনটোলৈকে শশিৰ মৃত্যুৰ কথা তেওঁক যেন নোকোৱা, বোপা। মোৰ এই শেষ ইচ্ছাটো—তুমি ৰাখিবা।" এই বুলি কৈয়েই শশিৰ মাক স্বৰ্গী হ'ল।

পূজাৰীৰ মনত বৰ দুখ নহ'ল, বৰঞ্চ এই কথা ভাবি বিমল আনন্দ বোধ কৰিলে যে—পৰস্পৰৰ কাৰণে আত্মত্যাগ কৰা দম্পতি কেৱল মইহে দেখিলোঁ। এইহাল প্ৰকৃততেই এহাল আদৰ্শ দম্পতি।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৬ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Shesagiri

S.G. Shesagiri

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ ডিচেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল পোষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ধান জাৰে আইতাই

দ্বিতীয় ফটো : বিশ্ব দেখে মইনাই

চন্দন চৌধুৰী/চাপৰমুখ ৰেল-কলোনি/চাপৰমুখ-৭৮২ ৪২৫/অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA

Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs.**117.00** By Air mail Rs. **264.00**

FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **123.00** By Air mail Rs. **264.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

CHANDAMAMA (Assamese) December 1995 Regd. No. TN / MS (S) 87